

READERS'
ENGLISH GRAMMAR
&
COMPOSITION

For Classes : I to V

BY
ABDUR RAHIM, M A (DOUBLE)

GROWHILLS PUBLISHING
Kamalpur, Barpeta (Assam)

READERS' ENGLISH GRAMMAR & COMPOSITION FOR CLASSES: I TO V written by by Abdur Rahim (M.A. Double) and Published by Sultan Mahmud, M Sc, on behalf of Growhills Publishing, Kamalpur, Barpeta (Assam)

All rights reserved.

Published by Growhills Publishing
Mobile: 6003018401 (Sultan Mahmud)

New Edition: 2021

D.T.P. Growhills D. T. P Operators.

Price : Rs. 70.00 only.
(Please buy book in printed price)

Printed at: Purnima Press, Barpeta (Assam)

CONTENTS

Part -I GRAMMAR

Chap.	Titles	Page Nos.
1	What is Grammar	5
2	Letter and Alphabet	7
3	Capital Letter and Small Letter	8
4	Vowels and Consonants	10
5	Words and Sentence	11
6	Syllables	13
7	Parts of Speech	15
8	Use of Capital Letter	21
9	Articles	23
10	Number	27
11	Person	32
12	Gender	34
13	Verbs	38
14	Subject and Predicate	44
15	Tense	46
16	Use of 'To Be' Verb	49
17	Use of 'Have' , 'Has' 'Can' and 'May'	51
18	Use of Introductory 'There' and 'It'	53
19	Interrogative Sentence	54
20	Punctuation	59
21	Antonyms	63
22	Synonyms	65
23	Phrase and Idioms	66

Part -II COMPOSITION

1	Letter Writing	82
2	Essay Writing	86
3	Story Writing	97

ভাষা এটি শুদ্ধকৈ পঢ়িবলৈ, ক'বলৈ আৰু লিখিবলৈ শিকাৰ ক্ষেত্ৰত Grammar (ব্যাকৰণ) ৰ কোনো বিকল্প নাই। সেয়ে শিক্ষাৰ প্ৰাৰম্ভিক স্তৰৰ পৰাই ল'ৰা-ছোৱালীয়ে যাতে ইংৰাজী ভাষাটো শুদ্ধকৈ শিকিব পাৰে সেই উদ্দেশ্যে প্ৰথম, দ্বিতীয়, তৃতীয়, চতুৰ্থ আৰু পঞ্চম শ্ৰেণীৰ উপযোগী হোৱাকৈ ***Readers' English Grammar and Composition*** *পুথিখন* ***Growhills Publishing Research Board*** *ৰ নিৰ্দেশনা অনুসৰি* ***Growhills Writers' Board*** *য়ে প্ৰণয়ন কৰি উলিয়াইছে। পুথিখন প্ৰণয়ন কৰোতে ছাত্ৰ-ছাত্ৰীসকলৰ বয়স আৰু মনস্তত্বৰ প্ৰতি লক্ষ্য ৰাখি Grammar ৰ বিষয়-বস্তুবোৰ অতি সৰল আৰু সহজভাৱে উপস্থাপন কৰা হৈছে। ইয়াত Grammar ৰ মৌলিক বিষয়বস্তুৰ সৰল আৰু সাধাৰণ ধাৰণাহে দিয়া হৈছে। ছাত্ৰ -ছাত্ৰীসকলে Grammar ৰ এই প্ৰাথমিক বিষয়বোৰ গুৰুত্ব সহকাৰে অধ্যয়ন কৰিলে পৰৱৰ্তী স্তৰত ব্যাকৰণৰ বিষয়-বস্তু আয়ত্ব কৰাত সহজ হ'ব। পুথিখনৰ পাঠবোৰ শ্ৰেণী অনুযায়ী ভাগ কৰি দিয়া হোৱা নাই। শিক্ষক-শিক্ষয়িত্ৰীসকলে শ্ৰেণী আৰু পাঠ্যপুথিৰ প্ৰসঙ্গ অনুসৰি প্ৰয়োজনমতে ছাত্ৰ-ছাত্ৰীসকলক* ***Grammar*** *ৰ পাঠবোৰ শিকাব আৰু অনুশীলন কৰাব। এইখিনিতে ছাত্ৰ-ছাত্ৰীসকলক পৰামৰ্শ দিয়া হয় যে সিহঁতে যেন ব্যাকৰণৰ নীতি-নিয়ম পঢ়াৰ লগে লগে উদাহৰণবোৰ মনত ৰখাৰ চেষ্টা কৰে। কিয়নো উদাহৰণ মনত ৰাখিলেহে ব্যাকৰণৰ Rule বোৰ মনত থাকে।*

PART -I
GRAMMAR

Chapter -1

WHAT IS GRAMMAR
(ব্যাকৰণ কি)

আমি দৈনন্দিন জীৱনত আমাৰ মনৰ ভাব-অনুভূতি, আশা-আকাঙ্খা, ধ্যান-ধাৰণা আদি মৌখিকভাৱে বা লিখিত ৰূপত প্ৰকাশ কৰোঁতে যি মাধ্যমৰ সহায় লওঁ সেয়াই ভাষা (Language)। পৃথিৱীত কেইবা হাজাৰ ভাষাৰ প্ৰচলন আছে। দেশভেদে বা জাতিভেদে ভাষাও ভিন ভিন হয়। আকৌ অঞ্চলভেদে একেটা ভাষাৰ প্ৰকাশভঙ্গীৰ মাজতো পাৰ্থক্য আছে। সেয়ে ভাষা একোটাৰ বিভিন্ন আঞ্চলিক ৰূপৰ মাজত সংহতি স্থাপন কৰিবলৈ আৰু সাৰ্বজনীনতা প্ৰদান কৰিবলৈ ভাষা এটিৰ শব্দ গঠন, বাক্য গঠন আৰু বাক্য এটিত শব্দৰ পাৰস্পৰিক সম্বন্ধৰ বিষয়ে কিছুমান নীতি-নিয়ম প্ৰণয়ন কৰা হৈছে। এই নীতি-নিয়মবোৰ যিখন পুথিত প্ৰণয়ন কৰা হয় তাকে ভাষা একোটাৰ **ব্যাকৰণ** (**Grammar**) বোলে। ভাষা এটি শুদ্ধকৈ কোৱা আৰু লিখা শিকিবলৈ হ'লে

সেই ভাষাৰ ব্যাকৰণ (Grammar) অধ্যয়ন কৰা অতি জৰুৰী।

পৃথিৱীৰ প্ৰায় সকলোবোৰ লিখিত ভাষাৰেই ব্যাকৰণ আছে। ইংৰাজী হৈছে পৃথিৱীৰ এক অন্যতম ভাষা। এই ভাষাৰো নিজা ব্যাকৰণ আছে। ইংৰাজী ব্যাকৰণত ইংৰাজী ভাষাৰ শব্দ গঠন, বাক্য গঠন, বাক্য এটিত শব্দৰ পাৰস্পৰিক সম্বন্ধ আদিৰ নীতি-নিয়ম আলোচনা কৰা হয়। সহজ কথাত ইংৰাজী ব্যাকৰণ (English Grammar) হৈছে ইংৰাজী ভাষাটো শুদ্ধকৈ কোৱা, পঢ়া আৰু লিখা শিকিবলৈ প্ৰণয়ন কৰা পুথি। ইংৰাজী ভাষাৰ বহুত ব্যাকৰণ (Grammar) আছে, যেনে ঃ

1. Children's English Grammar and Composition
2. Standard English Grammar and Composition.
3. A New Approach to English Grammar and Composition.




ইংৰাজী ভাষাটো শুদ্ধকৈ শিকিবলৈ হ'লে ইংৰাজী ব্যাকৰণ (English Grammar) অৰশ্যই পঢ়িব লাগিব।

Grammar অধ্যয়নৰ বিশেষ গুৰুত্ব আৰু তাৎপৰ্য আছে, কাৰণ-

Grammar য়ে ভাষা এটিক সাৰ্বজনীনতা দান কৰে। অৰ্থাৎ একে ভাষাৰ বিভিন্ন ঠাঁচৰ মাজত সংহতি স্থাপন কৰি ভাষা এটিক সকলোৰে বাবে সহজ আৰু বোধগম্য কৰি তোলে।

Grammar য়ে ভাষা এটিক স্থায়ীত্ব দান কৰে।

Grammar য়ে ভাষা এটিক শুদ্ধকৈ বৈজ্ঞানিক ভিত্তিত শিকাত সহায় কৰে।

EXERCISE

1. Grammar (ব্যাকৰণ) কাক বোলে?
2. English Grammar (ইংৰাজী ব্যাকৰণ) কাক বোলে?
3. কেইখনমান English Grammar (ইংৰাজী ব্যাকৰণ) -ৰ উদাহৰণ দিয়া।
4. Grammar (ব্যাকৰণ) ৰ গুৰুত্ব বা তাংপৰ্য কি? **0 0 0**

Chapter -2

LETTER AND ALPHABET
(বৰ্ণ আৰু বৰ্ণমালা)



আমি আমাৰ মনৰ ভাব-অনুভুতি, আশা-আকাঙ্খা আদি লিখি প্ৰকাশ কৰোতে কিছুমান চিন বা প্ৰতীক ব্যৱহাৰ কৰোঁঃ যেনে- অ, আ, ক, খ, গ, ঘ, ঙ; A, B, C, D, E ইত্যাদি। এই চিনবোৰকে ইংৰাজীত **Letter (আখৰ)** বুলি কোৱা হয়। অৰ্থাৎ যি চিন বা প্ৰতীকৰ সহায়ত কোনো এটি ভাষাৰ অৰ্থপূৰ্ণ শব্দ, বাক্য আদি গঠণ কৰা হয়, সেই চিনবোৰক Letter (আখৰ) বুলি কোৱা হয়।

ইংৰাজীত মুঠতে ২৬ টা Letter আছে, যথাঃ

A	B	C	D	E	F	G
H	I	J	K	L	M	N
O	P	Q	R	S	T	U
V	W	X	Y	Z		

ইংৰাজী এই 26 টা Letter ক একেলগে **Alphabet** (বৰ্ণমালা) বুলি কোৱা হয়।

EXERCISE

1. Letter (আখৰ) কাক বোলে?
2. Alphabet (বৰ্ণমালা) কাক কয়?
3. ইংৰাজী বৰ্ণমালা (Alphabet) ত মুঠ কেইটা আখৰ আছে? Letter (আখৰ) বোৰ লিখা। **0 0 0**

Chapter -3

CAPITAL LETTER AND SMALL LETTER

(বৰ ফলাৰ আখৰ আৰু সৰু ফলাৰ আখৰ)

আগৰ অধ্যায়ত শিকি আহিছা যে ইংৰাজী বৰ্ণমালাত মুঠতে 26 টা Letter (আখৰ) আছে। এই Letter (আখৰ)বোৰ দুই প্ৰকাৰৰ, যেনে ঃ

1. Capital Letter (ডাঙৰ আখৰ) আৰু
2. Small Letter (সৰু আখৰ) ।

Capital Letter (ডাঙৰ আখৰ) সাধাৰণতে তলত দিয়া ধৰণৰ হয় ঃ

A	B	C	D	E	F	G
H	I	J	K	L	M	N
O	P	Q	R	S	T	U
V	W	X	Y	Z		

আনহাতে **Small Letter (সৰুআখৰ)** তলত দিয়া ধৰণৰ হয় ঃ

a	b	c	d	e	f	g
h	i	j	k	l	m	n
o	p	q	r	s	t	u
v	w	x	y	z		

ইংৰাজী ভাষাত ছপা আখৰ আৰু হাতে লিখা আখৰৰ ৰূপৰ মাজত সামান্য পাৰ্থক্য আছে। ওপৰত দিয়া ইংৰাজী আখৰবোৰ হৈছে ছপা আখৰৰ নমুনা। আনহাতে হাতে লিখা আখৰবোৰৰ আৰ্হি সামান্য বেলেগ। যেনে ঃ

Hand- Written Capital Letter (হাতে লিখা ডাঙৰ আখৰ) ঃ

A B C D E F G H

I J K L M N O P

Q R S T U V W X

Y Z

Hand-Written Small Letter (হাতে লিখা সৰু আখৰ)ঃ

a b c d e f g h

i j k l m n o p

q r s t u v w x

y z

EXERCISE

1. ইংৰাজী Letter (আখৰ) কেইপ্ৰকাৰৰ ?
2. ইংৰাজী Hand Written Capital Letter (হাতে লিখা ডাঙৰ আখৰ) বোৰ লিখা ?
3. ইংৰাজী Hand Written Small Letter (হাতে লিখা সৰু আখৰ) বোৰ লিখা।

0 0 0

Chapter -4

VOWELS AND CONSONANTS

(স্বৰবৰ্ণ আৰু ব্যঞ্জনবৰ্ণ)

ইতিমধ্যে তোমালোকে শিকি আহিছা যে কোনো ভাষাত থকা সকলোবোৰ আখৰ (Letter) ক একেলগে Alphabet (বৰ্ণমালা) বুলি কোৱা হয়। ইংৰাজী বৰ্ণমালাত সৰ্বমুঠ 26 টা Letter (আখৰ) আছে।

উচ্চাৰণৰ ধৰণ আৰু দৈৰ্ঘৰ ওপৰত ভিত্তি কৰি ইংৰাজী বৰ্ণমালাৰ আখৰবোৰক প্ৰধানকৈ দুই শ্ৰেণীত ভাগ কৰা হৈছে। যেনেঃ

(1) Vowel (স্বৰবৰ্ণ) আৰু (2) Consonant (ব্যঞ্জনবৰ্ণ)

Vowel (স্বৰবৰ্ণ) ঃ বৰ্ণমালাৰ যিবোৰ আখৰ উচ্চাৰণ কৰোতে আন কোনো আখৰৰ সহায় ল'ব নালাগে, সেইবোৰ আখৰক Vowel (স্বৰবৰ্ণ) বোলে। ইংৰাজী বৰ্ণমালাত মুঠ 5 টা Vowel আছে, যথা ঃ

A E I O U

Consonant (ব্যঞ্জনবৰ্ণ) ঃ বৰ্ণমালাৰ যিবোৰ আখৰ উচ্চাৰণ কৰোতে আন বৰ্ণৰ সহায় ল'ব লগা হয়, সেইবোৰ বৰ্ণক Consonant (ব্যঞ্জনবৰ্ণ) বোলে। ইংৰাজী বৰ্ণমালাত মুঠ 21 টা Consonant আছে, যথা ঃ

B	C	D	F	G	H	J
K	L	M	N	P	Q	R
S	T	V	W	X	Y	Z

টোকাঃ Consonant বোৰৰ ভিতৰত W আৰু Y বৰ্ণ দুটাক **Semi-vowel (অৰ্ধ-স্বৰবৰ্ণ)** বুলি কোৱা হয়- কাৰণ এই বৰ্ণ দুটা কেতিয়াবা Consonant আৰু কেতিয়াবা Vowel ৰ দৰে ব্যৱহাৰ হয়।

EXERCISE

1. Vowel (স্বৰবৰ্ণ) কাক বোলে ? ই কেইটা আৰু কি কি ?
2. Consonant (ব্যঞ্জনবৰ্ণ) কাক বোলে ? ই কেইটা আৰু কি কি ?
3. Semi-vowel (অৰ্ধ- স্বৰবৰ্ণ) কেইটা আৰু কি কি ? **0 0 0**

Chapter -5

WORD AND SENTENCE

(শব্দ আৰু বাক্য)

WORD (শব্দ)

আগতে শিকি আহিলা যে যি চিন বা প্ৰতীকৰ সহায়ত আমাৰ মনৰ ভাৱক লিখিত ৰূপ দিয়া হয় সেই চিনবোৰকে Letter (আখৰ বা বৰ্ণ)বুলি কোৱা হয়। কিন্তু অকল এটা আখৰ বা বৰ্ণই কোনো অৰ্থ প্ৰকাশ কৰিব নোৱাৰে। কোনো অৰ্থ প্ৰকাশ কৰিবলৈ কেইবাটাও বৰ্ণৰ প্ৰয়োজন হয়।

সেয়ে এটা বা ততোধিক বৰ্ণ লগলাগি কোনো অৰ্থ প্ৰকাশ কৰিলে তাক **Word (শব্দ)** বোলে। যেনে ঃ

'Boy' এটা শব্দ। কাৰণ ইয়াত তিনিটা বৰ্ণ b, o আৰু y লগলাগি এটা অৰ্থ প্ৰকাশ কৰিছে। সেয়ে ই এটা শব্দ। অৱশ্যে কেতিয়াবা এটা বৰ্ণও এটা শব্দ হ'ব পাৰে। যেনে ঃ I (মই), A (এটা), O, (অ', হে)।

তলত কেইটামান Word ৰ উদাহৰণ দিয়া হ'ল ঃ

Ant (পৰুৱা), Pen (কলম), Pencil (পেঞ্চিল), Sky (আকাশ), Book (কিতাপ), Chair (চিয়াৰ), Girl (ছোৱালী), Dog (কুকুৰ), Father (পিতা), Mother (আই), Aunt (খুড়ী) ইত্যাদি।

SENTENCE (বাক্য)

ওপৰত শিকি আহিলা যে এটা বা ততোধিক বৰ্ণ লগলাগি কোনো অৰ্থ প্ৰকাশ কৰিলে তাক Word (শব্দ) বুলি কোৱা হয়। কিন্তু অকল এটা শব্দই কোনো ভাৱ সম্পূৰ্ণ কৰিব নোৱাৰে। কোনো ভাৱ সম্পূৰ্ণভাৱে প্ৰকাশ কৰিবলৈ কেইবাটাও শব্দৰ প্ৰয়োজন হয়। যেনে ঃ

I am a boy. মই এজন ল'ৰা।

উক্ত বাক্যটোত ৪ টা Word (শব্দ) যথা ঃI, am , a আৰু boy আছে। এই চাৰিটা Word (শব্দ) মিলি এটা ভাৱ সম্পূৰ্ণকৈ প্ৰকাশ কৰিছে। সেয়ে ই এটা Sentence (বাক্য)।

এতেকে দুটা বা ততোধিক শব্দ লগলাগি কোনো সম্পূৰ্ণ অৰ্থ প্ৰকাশ কৰিলে তাক **Sentence** ([illegible]) বুলি কোৱা হয়। উদাহৰণঃ

Ram is a boy. (ৰাম এজন ল'ৰা।)

Reena is a girl. (ৰীণা এজনী ছোৱালী।)

This is a pen. (এইটো এটা কলম।)

That is a pencil. (সৌটো এটা পেন্সিল।)



It is a tree. (এইটো এটা গছ।)



He runs. (তেওঁ দৌৰে।)

They play (সিহঁতে খেলে।)

EXERCISE

1. Word (শব্দ) কাক বোলে? সূত্ৰ লিখি উদাহৰণ দিয়া।
2. Sentence (বাক্য) কাক বোলে? সূত্ৰ লিখি উদাহৰণ দিয়া।
3. A বৰ্ণ ব্যৱহাৰ কৰি তিনিটা শব্দ লিখা।
4. E বৰ্ণ ব্যৱহাৰ কৰি দুটামান শব্দ লিখা।

0 0 0

Chapter -6

SYLLABLE (শব্দাংশ)

ইতিমধ্যে তোমালোকে শিকি আহিছা যে এটা বা ততোধিক আখৰ বা বৰ্ণ লগ লাগি এটা অৰ্থপূৰ্ণ শব্দ গঠন হয়। আমি মন কৰিলে অনুভৱ কৰিম যে কোনো শব্দ উচ্চাৰণ কৰোতে শব্দবোৰৰ ওপৰত মুখেৰে বায়ুৰ হেঁচা দিব লগা হয়। কিন্তু সকলোবোৰ শব্দ উচ্চাৰণ কৰোতে মুখেৰে দিয়া বায়ুৰ হেঁচা সমানে নপৰে। কিছুমান শব্দত এটা হেঁচা, কিছুমান শব্দত দুবাৰ হেঁচা আৰু কিছুমানত দুবাৰতকৈ অধিক হেঁচা দিবলগা হয়। উদাহৰণ স্বৰূপেঃ

Book (কিতাপ)
Father (দেউতা)
Computer (কম্পিউটাৰ)

ওপৰৰ প্ৰথম শব্দ 'Book' উচ্চাৰণ কৰোতে মুখেৰে বায়ুক এবাৰ হেঁচা দিব লগা হৈছে। দ্বিতীয় শব্দ 'Father' উচ্চাৰণ কৰোতে আমি দুবাৰ হেঁচা দিব লগা হৈছে। প্ৰথম হেঁচাটো 'Fa' অংশত আৰু দ্বিতীয় হেঁচাটো 'ther' অংশত দিব লগা হৈছে। এনেদৰে তৃতীয় শব্দ Computer উচ্চাৰণ কৰোতে আমি তিনিবাৰ হেঁচা দিব লগা হৈছে।

এতেকে আমি শব্দ এটা উচ্চাৰণ কৰোতে এটা হেঁচাত শব্দটোৰ যিমানখিনি উচ্চাৰণ কৰিব পাৰোঁ, সেইখিনিকে **Syllable (শব্দাংশ)** বোলে।

Syllable অনুসৰি ইংৰাজী শব্দবোৰক আমি চাৰিটা শ্ৰেণীত ভাগ কৰিব পাৰি। যথাঃ

(1) Mono-syllabic Word
(2) Di-syllabic Word
(3) Tri-syllabic Word আৰু
(4) Poly-syllabic Word

(1) **Mono-syllabic Word** ঃ এটা syllable থকা শব্দক Mono-syllabic Word বুলি কোৱা হয়। যেনেঃ

Hen, Den, Man, Fan, Cat, Dog, Book, Moon, Soon, Who, What, But, Mat, Bat, Rat, Sad, Go etc.

(2) **Di-syllabic Word** ঃ দুটা syllable থকা শব্দক Di-syllabic Word বুলি কোৱা হয়। যেনেঃ

Tea-cher, Fa-ther, Sis-ter, Mor-ning, Bro-ther, Eve-ning, Tri-ple, Bu-cket, Busi-ness etc.

(3) **Tri-syllabic Word** ঃ তিনিটা syllable থকা শব্দক Tri-syllabic Word বুলি কোৱা হয়। যেনেঃ

Mo-ther-land, Tele-vi-sion, To-mo-rrow, Af-ter-noon, Pre-si-dent, Fre-qu-ency, Dic-tio-nary etc.

(3) **Poly-syllabic Word** ঃ তিনিটাতকৈ অধিক syllable থকা শব্দক Poly-syllabic Word বুলি কোৱা হয়। যেনেঃ

Bea-u-ti-ful, In-di-ffe-rent, In-te-lli-gence, Cen-te-na-ry, Re-fe-re-nce, In-ter-fe-rence etc.

EXERCISE

1. Syllable (শব্দাংশ) কাক বোলে ?
2. Syllable অনুসৰি ইংৰাজী শব্দবোৰক কেইই শ্ৰেণীত ভাগ কৰা হৈছে?
3. তলৰ শব্দ কেইটাৰ Syllable ভাঙি দেখুওৱাঃ

Monkey, Union, Liberty, Year, Sky, Jolly, life, Sentence, Bird, Firm, Guwahati, Do, Examination, Student, Classroom, Library.

***শিক্ষকলৈ টোকা ঃ** ইংৰাজী শব্দ শিকাওঁতে শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক Syllable ভাঙি উচ্চাৰণ কৰিবলৈ শিকাব। কাৰণ Syllable ভাঙি শব্দ শিকিলে বানান মনত ৰখাত সহজ হয় আৰু উচ্চাৰণো সঠিক হয়।*

0 0 0

Chapter -7

PARTS OF SPEECH
(পদ বা বাক্যাংশ)

ইতিমধ্যে শিকি আহিছা যে এটা, দুটা বা ততোধিক letter লগলাগি কোনো এটা word (শব্দ) গঠন হয়। আকৌ এটা বা ততোধিক word (শব্দ) লগলাগি এটা সম্পূৰ্ণ ভাৱ প্ৰকাশক sentence (বাক্য) গঠন হয়। উদাহৰণ ঃ

Namita is a girl. (নমিতা এজনী ছোৱালী।)

এইবাক্যটোত থকা 'Namita', 'is', 'a' আৰু 'girl' প্ৰত্যেকেই একো-একোটা Parts of Speech (পদ বা বাক্যাংশ)। অৰ্থাৎ বাক্যত ব্যৱহাৰ হোৱা প্ৰতিটো word (শব্দ) ক **Parts of Speech (পদ বা বাক্যাংশ)** বোলে।

ইংৰাজী ভাষাত Parts of Speech (পদ বা বাক্যাংশ) আঠ প্ৰকাৰৰ। যথা ঃ (1) Noun (বিশেষ্য), (2) Pronoun (সৰ্বনাম), (3) Adjective (বিশেষণ), (4) Verb (ক্ৰিয়া), (5) Adverb (ক্ৰিয়া বিশেষণ), (6) Preposition (অব্যয়), (7) Conjunction (সংযোজক অব্যয়), (8) Interjection (ভাৱবোধক অব্যয়)

তলত এইবোৰৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ল।

(1) **Noun** (বিশেষ্য)

তলৰ বাক্যবোৰত থকা আঁচটনা শব্দবোৰ মন কৰা ঃ

1. Babita is a girl. (ববিতা এজনী ছোৱালী)।
2. Barpeta is a town. (বৰপেটা এখন নগৰ)।
3. The Geeta is a book. (গীতা এখন কিতাপ)।
4. Ram is famous for honesty. (ৰাম সাধুতাৰ বাবে বিখ্যাত)।

ওপৰৰ বাক্যৰোৰৰ Babita, Barpeta, The Geeta, honesty আদিয়ে যথাক্ৰমে মানুহৰ নাম, ঠাইৰ নাম, কিতাপৰ নাম, গুণৰ নাম আদি বুজাইছে। সেয়ে এইবোৰ একো একোটা Noun (বিশেষ্য)। অৰ্থাৎ যি পদে (শব্দই) কোনো মানুহৰ নাম, ঠাইৰ নাম, বস্তুৰ নাম, গুণৰ নাম আদি বুজায় তাকে Noun (বিশেষ্য)

বোলে। সহজ ভাষাত নাম মাত্ৰেই Noun (বিশেষ্য)।

কিছুমান **Noun (বিশেষ্য)** পদৰ উদাহৰণ ঃ Dog (কুকুৰ), Star (তৰা), Gold (সোণ), Bird (চৰাই), Boy (ল'ৰা), Girl (ছোৱালী), Cow (গাই গৰু), Man (মানুহ), Book (কিতাপ) River (নদী), Sun (সূৰ্য্য), Moon (চন্দ্ৰ), Sky (আকাশ), Milk (গাখীৰ) ইত্যাদি।

2. **Pronoun (সৰ্বনাম)**

ইতিমধ্যে শিকিলা যে যি word (শব্দ) য়ে কোনো বস্তু, প্ৰাণী, ঠাই বা কোনো গুণৰ নাম বুজায় তাকে Noun (বিশেষ্য) বোলে। কিন্তু আমি সদায় বস্তুৰ বা প্ৰাণীৰ নাম ধৰি মতাৰ পৰিবৰ্তে আন কিছুমান শব্দ ব্যৱহাৰ কৰোঁ। তলত দিয়া বাক্য দুটা মন কৰা ঃ



(i) Rajen is a boy. (ৰাজেন এজন ল'ৰা)।

(ii) He has a horse. (তেওঁৰ এটা ঘোঁৰা আছে)।

ওপৰৰ প্ৰথম বাক্যৰ 'Rajen শব্দটি Noun (বিশেষ্য) আৰু বাক্যটোৱে 'ৰাজেন এজন ল'ৰা' এই অৰ্থটি প্ৰকাশ কৰিছে। দ্বিতীয় বাক্যটিয়ে 'তেওঁৰ এটা ঘোঁৰা আছে' - এই অৰ্থ প্ৰকাশ কৰিছে। দ্বিতীয় বাক্যত ব্যৱহাৰ হোৱা 'He' (তেওঁ) শব্দটিয়ে প্ৰথম বাক্যৰ 'Rajen' noun টোক বুজাইছে। অৰ্থাৎ 'Rajen' আৰু 'He' একেজন ল'ৰাকেই বুজাইছে। ইয়াত 'He' শব্দটি Pronoun । এতেকে Noun (বিশেষ্য) পদৰ সলনি সেই একে প্ৰাণী বা বস্তুক বুজাবলৈ যি word ব্যৱহাৰ কৰা হয়, তাকে **Pronoun (সৰ্বনাম)** বোলে।

More Examples:

1. He has a pencil. (তেওঁৰ এডাল পেঞ্চিল আছে)।
2. She has a book. (তাইৰ এখন কিতাপ আছে)।
3. We learn English. (আমি ইংৰাজী শিকোঁ)।
4. They play cricket. (সিহঁতে ক্ৰিকেট খেলে)।



তলত কিছুমান Pronoun (সৰ্বনাম) উল্লেখ কৰা হ'ল।

I (মই), he (তেওঁ), she (তাই), her (তাইৰ), our (আমাৰ), we (আমি), me (মোক), my (মোৰ) , us (আমাক), you (তুমি), your (তোমাৰ), his (তাৰ), they (সিহঁত), their (সিহঁতৰ) ইত্যাদি।

3. **Adjective (বিশেষণ)**

তলত দিয়া বাক্যবোৰত থকা আঁচ টনা শব্দবোৰ মন কৰা ঃ

1. Reena has a pen. (ৰীণাৰ এখন কলম আছে)।
2. Sabita has two books.(সবিতাৰ দুখন কিতাপ আছে)।

3. That is a red car. (সৌখন এখন ৰঙা গাড়ী)।
4. It is a small hat. (এইটো এটা সৰু টুপী)।

ওপৰৰ বাক্যৰ 'a' শব্দই 'pen' পদৰ সংখ্যা বুজাইছে 'two' শব্দই 'book' পদৰ সংখ্যা, 'red' পদে 'car' noun টোৰ গুণ আৰু 'small' পদে 'hat' noun ৰ পৰিমাপ বুজাইছে। এইবোৰেই একো একোটা Adjective ।

যিবোৰ word (শব্দ) ই কোনো noun (বিশেষ্য) ৰ সংখ্যা, পৰিমাণ, দোষ, গুণ, আদি বুজায় তাক **Adjective (বিশেষণ)** বোলে।

কিছুমান Adjective ৰ উদাহৰণ হ'ল ঃ

small (সৰু), long (দীঘল), big (ডাঙৰ), deep (গভীৰ), black (ক'লা), white (বগা), some (কিছুমান), many (বহুত), short (চুটি), good (ভাল), one (এটা), sweet (মিঠা), bitter (তিতা), red (ৰঙা), green (সেউজীয়া), fat (শকত), strong (শক্তিশালী) ইত্যাদি।

4. **Verb (ক্ৰিয়া)**

তলত দিয়া বাক্যবোৰত থকা আঁচ টনা শব্দবোৰ মন কৰা ঃ

1. Rahman reads the Ramayana.
2. Rekib writes a letter.
3. Lalchand has a pencil.
4. They play cricket.

ওপৰৰ sentence বোৰত 'read' পদে 'পঢ়া' 'write' পদে চিঠি লিখা, has পদে পেঞ্চিল থকা আৰু 'play' পদে বল খেলা বুজাইছে। এই শব্দবোৰেই Verb (ক্ৰিয়া)।

যি পদে কোনো কাম কৰা বা হোৱা বুজায় তাক Verb (ক্ৰিয়া) বোলে।

কিছুমান Verb (ক্ৰিয়া) পদৰ উদাহৰণ ঃ

learn (শিকা), teach (পঢ়োৱা), drink (পি খোৱা), run (দৌৰা), go (যোৱা), eat (খোৱা), read (পঢ়া), write (লিখা), come (অহা), sit (বহা), play (খেলা), swim (সাতোঁৰা) ইত্যাদি।

5. **Adverb (ক্ৰিয়া বিশেষণ)**

তলত দিয়া বাক্যবোৰত থকা আঁচ টনা শব্দবোৰ মন কৰা ঃ

2. Binita runs fast. (বিনিতাই বেগাই দৌৰে।)
3. Riju drives slowly. (ৰিজুয়ে লাহে লাহে গাড়ী চলায়।)

4. She cries loudly. (তাই জোৰে জোৰে কান্দে।)

ওপৰৰ বাক্যবোৰত দেখা যায় যে 'fast' পদে 'run' পদটোৰে কেনেকৈ কাৰ্য্য সম্পাদন কৰে তাক বুজায়। সেইদৰে 'slowly' পদে 'drives' পদৰ আৰু 'loudly' পদে 'cries' ক্ৰিয়াৰ সম্পাদন পদ্ধতিক বুজাইয়ে। এইবোৰেই Adverb।

ক্ৰিয়া এটাই কেনেদৰে কাম সম্পাদন কৰে সেইটো বুজাবলৈ যি পদ (word) ব্যৱহাৰ হয় তাকে **Adverb (ক্ৰিয়া বিশেষণ)** বোলে। আন কথাত যি word এ কোনো Verb বা Adjective ৰ বা আন কোনো Adverb ৰ কাম সম্পাদন কৰা ধৰণক বুজায় তাকে Adverb (ক্ৰিয়া- বিশেষণ) বোলে।

কেইটিমান Adverb পদৰ উদাহৰণ হ'ল ঃ now (এতিয়া), here (ইয়াত), there (তাত), often (প্ৰায়ে), suddenly(হঠাতে), slowly (লাহে লাহে), loudly (ডাঙৰকৈ), brightly (উজ্জ্বল ভাবে), easily (সহজভাবে), soon (সোনকালে), ইত্যাদি।

6. **Preposition (অব্যয়)**

তলত দিয়া বাক্যবোৰত থকা আঁচ টনা শব্দবোৰ মন কৰা ঃ

1. The apple is in the tree. (আপেলটো গছত।)

2. Gitali comes on foot. (গীতালি খোজকাঢ়ি আহে।)

3. She stands by us. (তাই আমাৰ কাষত থিয় হয়।)

ওপৰৰ প্ৰথম বাক্যৰ 'in' পদে 'apple' আৰু 'tree' এই দুটা noun ৰ লগত সম্বন্ধ দেখুৱাইছে। দ্বিতীয় বাক্যৰ 'on' পদে 'foot' আৰু 'Sabita' এই দুটা noun ৰ লগত সম্বন্ধ দেখুৱাইছে। আৰু তৃতীয় বাক্যত 'by' পদে 'She' আৰু 'us' এই দুটা pronoun অৰ মাজত সম্বন্ধ স্থাপন কৰিছে। এই বাক্যবোৰৰ in, on, by আদি পদবোৰ preposition (অব্যয়)। এনেদৰে যি পদে কোনো noun বা pronoun অৰ আগত বহি বাক্যত থকা আন কোনো noun বা pronoun ৰ লগত সম্বন্ধ দেখুৱায়, তাক **Preposition (অব্যয়)** বোলে।

কিছুমান Preposition ৰ উদাহৰণ হ'ল ঃ in (ভিতৰত), under (তলত), from (পৰা), on (ওপৰত), by (দ্বাৰা, কাষত), for (কাৰণে), with (সৈতে), into (ভিতৰলৈ), to (লৈ), at (ত) ইত্যাদি।

7. **Conjunction (সংযোজক অব্যয়)**

তলত দিয়া বাক্যবোৰত থকা আঁচ টনা শব্দবোৰ মন কৰা ঃ

1. Dilip and Deepali are good players. (দীলিপ আৰু দীপালি ভাল খেলুৱৈ।)

2. Karim is poor, but he is honest. (কৰিম দুখীয়া, কিন্তু তেওঁ সাধু।)

3. I will go if he comes. (তেওঁ যদি আহে মই যাম।)

ওপৰৰ বাক্যবোৰত 'and' পদে 'Dilip', আৰু 'Deepali' এই দুটা noun অক সংযোগ কৰিছে। 'but' পদে 'Karim is poor' আৰু 'he is honest' বাক্য দুটাক সংযোগ কৰিছে। সেইদৰে 'If' পদে 'I will go' আৰু 'he comes' বাক্য দুটাক সংযোগ কৰিছে। এনেদৰে এটা পদৰ লগত আন এটা পদ নাইবা এটা বাক্যৰ লগত আন এটা বাক্যৰ সংযোগ ঘটোৱা and, but, if আদি পদ বোৰ Conjunction (সংযোজক অব্যয়)। অৰ্থাৎ যি word এ বেলেগ বেলেগ word বা sentence অক সংযোগ কৰে তাক **Conjunction (সংযোজক অব্যয়)** বোলে।

কেইটিমান Conjunction পদৰ উদাহৰণ তলত দিয়া হ'ল ঃ or (নাইবা), though (যদিও), if (যদি), yet (তথাপি), that (যি, যে), as (যেনে, যিহেতু), but (কিন্তু), till (যেতিয়ালৈকে), and (আৰু) ইত্যাদি।

8. **Interjection (ভাৱবোধক অব্যয়)**

তলত দিয়া বাক্যবোৰত থকা আঁচটনা শব্দবোৰ মন কৰা ঃ

1. Alas! he is undone. (হায়! তেওঁৰ সৰ্বনাশ হ'ল)।

2. Hurrah! we have won the match. (কি জয়! আমি খেলত জিকিলো।)

3. O God! forgive us. (হে ভগবান! আমাক ক্ষমা কৰা।)

ওপৰৰ 'Alas'! 'Hurrah' 'O', আদি পদে মনৰ সুখ ,দুখ, আনন্দ, বিষাদ আদি প্ৰকাশ কৰিছে। এই পদ বোৰেই Interjection (ভাৱবোধক অব্যয়)। অৰ্থাৎ যি word এ মনৰ সুখ, দুখ, হৰ্ষ, বিষাদ আদি আবেগ পূৰ্ণ ভাৱ প্ৰকাশ কৰে তাক **Interjection (ভাৱবোধক অব্যয়)** বোলে।

কিছুমান Interjection পদৰ উদাহৰণ হ'ল ঃ bravo (চাব্বাইচ), Alas (হায়), O (হে), Oh (হায়), Hello (হে'ৰা), ইত্যাদি।

EXERCISE

1. Parts of Speceh কাক বোলে?
2. ইংৰাজী ভাষাত Parts of Speech কেইটা আৰু কি কি?
3. তলত দিয়া Word বোৰৰ Parts of Speech নিৰ্ণয় কৰা।

star, bus, slowly, on, sugar, hello, but, dear, Rabina, poor, inelligent, two, swim, alas, and, she, good, earn, write, well, play, yet, rich, hard, enough, wicked, fine.

4. খালী স্থানত উপযুক্ত Noun বহুৱা ঃ

(a) This is a .... (b) She is ....
(c) Today is .... (d) My mother is a ....
(D) That is a ...... (f) ...... is a good boy.

5. খালী স্থানত উপযুক্ত pronoun বহুৱা ঃ

(a) .... is my brother. (b) .... are playing.
(c) .... are students. (d) This is .... school.
(e) .... is a table. (f) .... are boys.

6. খালী স্থানত উপযুক্ত verb বহুৱা ঃ

(a) I .... mango. (b) They .... ball
(c) She .... sweetmeats. (d) Dogs ....
(e) We .... here. (f) She .... Rina.

7. খালী স্থানত উপযুক্ত Adjective বহুৱা ঃ

(a) This is ....book. (b) He is ....
(c) It is a .... tree. (d) Coal is ....
(e) The glass is .... (f) Ram is a ....boy.

8. খালী স্থানত উপযুক্ত Adverb বহুৱা ঃ

(a) He walks .... b) Ramen runs ....
(c) Come here .... (d) He works ....

9. খালী স্থানত উপযুক্ত Preposition বহুৱা ঃ

(a) Please sit ...... me. (b) Keep it ..... the bed.
(e) She cries ......milk. (d) He writes ......a pen.

10. খালী স্থানত উপযুক্ত Conjunction বহুৱা ঃ

(a) I like sugar .... milk. (b) He has a pen ... a book.
(c) He is poor .....honest (c) I will go ...... he comes.

11. খালী স্থানত উপযুক্ত Interjection বহুৱা ঃ

(a) .... I am undone. (b) ..... we are victorious.
(c) ....Bhagawan forgive us.

12. ইংৰাজীলৈ অনুবাদ কৰা ঃ

(a) ৰাম এজন ল'ৰা (b) তুমি এজনী ছোৱালী।
(c) সিহঁতে বল খেলে (d) নৰনিতাই বেগাই খোজ কাঢ়ে।
(e) মই কল খাওঁ। (f) কিতাপখন টেবুলৰ ওপৰত।
(g) তুমি আহিলে মই যাম (h) হে ঈশ্বৰঙ্গ আমাক সহায় কৰা।

Chapter -8

USE OF CAPITAL LETTER

(ডাঙৰ হৰফৰ প্ৰয়োগ)

ইংৰাজী Capital Letter (ডাঙৰ আখৰ) ব্যৱহাৰৰ কিছুমান নিয়ম আছে। তলত নিয়মবোৰ আলোচনা কৰা হ'ল।

1. ইংৰাজী প্ৰতিটো Sentence অৰ আৰম্ভণি শব্দৰ প্ৰথম আখৰ (Letter) ডাঙৰ হাতৰ (Capital) হয়। যেনে ঃ

This is a pencil.
She is my sister .
We are friends.
That is a white dog.

ওপৰৰ This, is, a আৰু pencil এইচাৰিটা শব্দ লগ লাগি বাক্যটি গঠন হৈছে আৰু ইয়াৰ প্ৰথম শব্দ 'This' ৰ প্ৰথম আখৰ 'T' টো capital হৈছে।

2. 'I' letter টো এটা শব্দ (pronoun) হিচাপে ব্যৱহাৰ হ'লে অৰ্থাৎ 'I' ৰ অৰ্থ 'মই' হ'লে capital হয়। যেনে ঃ

She is a girl and I am a boy.

ইয়াত 'I' শব্দই 'মই' অৰ্থ প্ৰকাশ কৰিছে। সেয়ে ই capital হৈছে।

3. কোনো ঠাইৰ নামৰ প্ৰথম আখৰ capital হয়। যেনে ঃ

Guwahati, Betbari, Italy, England, Delhi, Mumbai, Bongaigaon, Barpeta, Nagoan. ইত্যাদি।

4. উপাধিসহ মানুহৰ নামৰ প্ৰথম আখৰ capital হয়। যেনে ঃ

Akan Nath , Rabi Sharma, Sabita Das, Tipu Sultan, Ashraf Ali , Kabita Hazari, Ram Dev ইত্যাদি।

5. ঈশ্বৰৰ নাম বুজোৱা শব্দৰ প্ৰথম আখৰ capital হয়। যেনে ঃ

God, Bhagwan, Allah, Brahma, Ilah ইত্যাদি।

6. সপ্তাহৰ বাৰকেইটাৰ নামৰ আদি (প্ৰথম) আখৰ capital হয়। যেনে ঃ

Sunday, Monday, Tuesday, Wednesday, Thursday, Friday, Saturday.

7. মাহ কেইটাৰ নামৰ আদি (প্ৰথম) আখৰ capital হয়। যেনে ঃ

January, February, March, April, May, June, July,

August, September, October, November, December.

8. বুৰঞ্জী প্ৰসিদ্ধ কীৰ্তিস্তম্ভ, মন্দিৰ, মছজিদ, ৰাজপ্ৰসাদ, তীৰ্থস্থান আদিৰ নামৰ প্ৰথম আখৰ capital হয়। যেনেঃ

The Qutub Miner, The Tajmahal. The India Gate, The Jumma Masjid, The Temple of Kamakhya, The Moti Masjid, The LotusTemple ইত্যাদি।

9. নদ-নদী, সাগৰ, মহাসাগৰ, পৰ্বতশ্ৰেণী, পৱিত্ৰ পুথি, জাতি, বাতৰি কাকত, কোনো ৰাষ্ট্ৰীয় উৎসৱ ইত্যাদিৰ নামৰ প্ৰথম আখৰ capital হয়। যেনেঃ

The Ganga (নদীৰ নাম)
The South Sea, (সাগৰৰ নাম)
The Pacific Ocean (মহাসাগৰৰ নাম)
The Himalayas (পৰ্ব্বত শ্ৰেণীৰ নাম)
The Quran (পৱিত্ৰ পুথিৰ নাম)
The English (জাতিৰ নাম)
The Hindustan Times (বাতৰি কাকতৰ নাম)
The Maharam (উৎসৱৰ নাম)

10. কবিতাৰ প্ৰথম আখৰ capital হয়। (অৱশ্যে আধুনিক কবিতাত ইয়াৰ ব্যতিক্ৰমো ঘটে।)যেনেঃ

Thank to that Almighty God
He made the motley world,
And all the myriad trees
With their luscious fruits.

---- *Menonim Menonimus*

EXERCISE

1. ইংৰাজী ভাষাৰ ক'ত ক'ত capital letter ব্যৱহাৰ হয় লিখা।
2. তলত দিয়া শব্দবোৰৰ আদি আখৰবোৰ capital কৰাঃ

kirtan gosha, pakisthan, the brahmaputra , manisha, allah, the battle of sharaighat, raja rao, bible, the red fort, kamalpur, kayakuchi, the quran, the rastrapati bhawan.

0 0 0

Chapter -9

ARTICLES : A, AN, THE

ইংৰাজী ভাষাত কোনো বস্তু বা প্ৰাণীক নিৰ্দ্দিষ্ট ভাৱে বা অনিৰ্দ্দিষ্ট ভাৱে বুজাবলৈ A, An আৰু The।ইংৰাজীত এইবোৰক 'Articles' বুলি কোৱা হয়। বাক্যত এইবোৰ ব্যৱহাৰ কৰাৰ কিছুমান নীতি-নিয়ম আছে। তলত নিয়মবোৰ আলোচনা কৰা হ'ল।

1. A আৰু AN -ৰ ব্যৱহাৰ

A আৰু An কোনো অনিৰ্দ্দিষ্ট প্ৰাণী, বস্তু বা কোনো এক জাতিক বুজাবলৈ এক বচনত থকা Noun বা Adjective ৰ আগত বহে।

সাধাৰণতে যিবোৰ word ৰ প্ৰথম আখৰ Consonant সেইবোৰ word ৰ আগত 'A' article বহে। যেনেঃ

a pencil, a table, a pen, a box, a stick, a man, a jug etc.

ওপৰৰ উদাহৰণবোৰৰ pencil, table, box, stick, man, jug আদি word বোৰৰ প্ৰথম letter বোৰ consonant সেয়ে এইবোৰৰ আগত 'A' article বহিছে।

আনহাতে যিবোৰ word অৰ প্ৰথম আখৰ vowel বা vowel ৰ দৰে উচ্চাৰণ হয় সেইবোৰ word অৰ আগত 'An' বহে। যেনেঃ

An ant, An ox, An elephant, An egg, An umbrella, ইত্যাদি।

ওপৰৰ ant, ox, elephant, egg, umbrella আদি word বোৰৰ প্ৰথম আখৰ vowel। সেয়ে এই বোৰৰ আগত 'an' article ব্যৱহৃত হৈছে।

অৱশ্যে ইংৰাজী ভাষাত এনে কিছুমান word আছে যিবোৰ consonant ৰ দ্বাৰা আৰম্ভ হয় যদিও তাৰ আগত 'A' নবহি 'An' বহে। তেনে শব্দবোৰ হ'লঃ

An hour.
An honest man,
An M.Sc. ইত্যাদি।

ওপৰৰ hour, honest, M.A. আদি শব্দবোৰ consonantৰ দ্বাৰা আৰম্ভ হোৱা সত্বেও এইবোৰৰ আগত 'An' বহিছে। কিয়নো এইবোৰ উচ্চাৰণ কৰোতে আগত vowelৰ ধ্বনি আহে আৰু কিছুমানৰ উচ্চাৰণত প্ৰথম consonantৰ উচ্চাৰণ উহ্য আছে।

এনেদৰে vowelৰ দ্বাৰা আৰম্ভ হোৱা এনে কিছুমান শব্দ আছে যিবোৰৰ আগত 'An' নবহি 'A' article বহে। তেনে শব্দ কেইটিমান হ'ল ঃ

A European,
A one eyed man,
A useful thing.
A University,
A one rupee coin. ইত্যাদি।

টোকাঃ সাধাৰণতে 'O' ৰ উচ্চাৰণ 'ওৱা'ৰ দৰে হ'লে আৰু 'U'ৰ উচ্চাৰণ 'আ'ৰ দৰে নহৈ 'ইউ'ৰ দৰে হ'লে তাৰ আগত 'An' নবহি 'A' বহে।

2. The -ৰ ব্যৱহাৰ

সাধাৰণতে তলত দিয়া স্থানত 'The' Article বহে । যেনে ঃ

1. কোনো নিৰ্দ্দিষ্ট প্ৰাণী বা বস্তুক বুজাবলৈ দুয়োবচনতে Noun ৰ আগত 'The' ব্যৱহাৰ কৰা হয়। যেনে ঃ

The Post Office. ডাকঘৰটো।
The man. মানুহজন।
The box. বাকচটো।
The boy. ল'ৰাজন।
The tree. গছটো। ইত্যাদি।

ওপৰৰ Post Office, man, box, boy, tree, এইবোৰৰ আগত 'The' বহুৱাই কোনো নিৰ্দ্দিষ্ট Post Office, man, box, boy, tree ক বুজোৱা হৈছে।

2. কোনো প্ৰাণীৰ গোটেই জাতিটোক বুজাবলৈ একবচন Nounৰ আগত 'The' ব্যৱহাৰ কৰা হয়। যেনে ঃ

The dog is a faithful animal. (কুকুৰ বিশ্বাসী জন্তু।)
The cow is a four footed animal. (গৰু চাৰিঠেঙীয়া জন্তু।)
The elephant is a strong animal. (হাতী শক্তিশালী জন্তু।)
The crow is black. (কাউৰী ক'লা।) ইত্যাদি।

ওপৰৰ dog, cow, elephant, crow আদি একবচনত থকা শব্দৰ আগত 'The' বহুৱাই গোটেই জাতিটোকে বুজোৱা হৈছে।

3. কোনো জাতি বা সম্প্ৰদায় বুজাবলৈ 'The' ব্যৱহাৰ হয়। যেনে ঃ

The French (ফৰাচী জাতি।)
The English (ইংৰাজ জাতি।)
The Hindus (হিন্দু জাতি।)
The Assamese (অসমীয়া জাতি ।)

4. নদী, সাগৰ, মহাসাগৰ আদি নামৰ আগত 'The' বহে। যেনে ঃ

The Brahmaputra (ব্ৰহ্মপুত্ৰ নদী।)
The Arabian Sea (আৰব সাগৰ।)
The Pacific Ocean (প্ৰশান্ত মহাসাগৰ।)

5. কোনো পৰ্বত শ্ৰেণীৰ নামৰ আগত 'The' বহে। যেনে ঃ

The Alps (আল্পচ পৰ্বত।)
The Himalayas (হিমালয় পৰ্বত।)

টোকা ঃ এটা মাত্ৰ পৰ্বতৰ নামৰ আগত 'The' নবহে। বহুতো পৰ্ব্বত লগলাগি এটা নাম ('পৰ্বতশ্ৰেণী') হ'লে তাৰ আগতহে 'The' বহে।

6. পবিত্ৰ কিতাপ, ধৰ্ম গ্ৰন্থ আদিৰ নামৰ আগত 'The' বহে। যেনে ঃ

The Quran (কোৰাণ।)
The Kirtan Gosha (কীৰ্তন ঘোষা)
The Mahabharata (মহাভাৰত।)
The Tri-Pitak (ত্ৰি-পিটক।) ইত্যাদি।

7. গ্ৰহ, নক্ষত্ৰ, উপগ্ৰহ আদি নামৰ আগত 'The' বহে। যেনে ঃ

The Jupiter (বৃহস্পতি গ্ৰহ।)
The Sun (সূৰ্য্য।)
The Earth (পৃথিৱী।)
The Moon (চন্দ্ৰ।) ইত্যাদি।

টোকা ১ ঃ সাধাৰণতে মানুহৰ নাম, দেশৰ নাম, ভাষাৰ নাম, কোনো পদাৰ্থৰ নাম বা কোনো গুণৰ নামৰ আগত 'The' নবহে। যেনে ঃ

Nayan Sikder (কিন্তু The Nayan Sikder নহয়)
India (কিন্তু The India নহয়)
Assamese (কিন্তু The Assamese নহয়)
Gold (কিন্তু The Gold নহয়)
Kindness (কিন্তু The kindness নহয়)

টোকা ২ ঃ মানৰ জাতিক বুজাবলৈ কেতিয়াও 'The man' ব্যৱহাৰ কৰা নহয়। মাত্ৰ 'man' হে ব্যৱহাৰ হয়। যেনে ঃ 'Man is mortal' মানুহ মৰণশীল। ইয়াত 'Man' শব্দটোৱে গোটেই মানৰ জাতিকে বুজাইছে।

টোকা ৩ ঃ মানুহৰ নামৰ আগত কোনো Article নবহে যদিও কোনো এজন ব্যক্তিক আন কোনো এজন ব্যক্তিৰ লগত তুলনা কৰিলে যি ব্যক্তিৰ লগত তুলনা কৰা হয় সেই ব্যক্তিজনৰ নামৰ আগত 'The' বহে। যেনে ঃ

Kalidas is the Shakespeare of India.

উক্ত বাক্যটোত কালিদাসক শ্বেক্সপীয়েৰৰ লগত তুলনা কৰা হৈছে। সেয়ে শ্বেক্সপীয়েৰৰ নামৰ আগত 'The' ব্যৱহাৰ কৰা হৈছে।

টোকা ৪ ঃ সাধাৰণতে কোনো পদাৰ্থৰ নামৰ আগত 'The' নবহে যদিও কোনো পদাৰ্থক নিৰ্দ্দিষ্টকৈ বুজালে বা নিৰ্দ্দিষ্ট পৰিমাণ বুজালে তাৰ আগত 'The' বহে। যেনে ঃ

The gold of this ring is not pure.

টোকা ৫ ঃ সাধাৰণতে ভাষাৰ নামৰ আগত 'The' নবহে, কিন্তু ভাষাৰ নামৰ পিছত 'language' শব্দটো উল্লেখ থাকিলে 'The' বহে। যেনে ঃ

The English Language is a popular language.

টোকা ৬ ঃ 'ঈশ্বৰ' বুজোৱা শব্দৰ আগত কোনো Article নবহে।

God (কিন্তু The God নহয়)

Allah (কিন্তু The Allah (নহয়)।

8. কোনো সংস্থাবা দেশৰ সংক্ষিপ্ত নামৰ আগত 'The' বহে। যেনে ঃ

The U.S.A, The USSR, The U.K. ইত্যাদি।

EXERCISE

1. Article বুলিলে কি বুজা ? Article কেইটা আৰু কি কি ?
2. A, আৰু An ৰ ব্যৱহাৰ আলোচনা কৰা । A, আৰ An আৰু ক'ত ক'ত ব্যৱহাৰ নহয়। উদাহৰণ দিয়া।
3 The ৰ ব্যৱহাৰ আলোচনা কৰা । ক'ত ক'ত 'The' ব্যৱহাৰ নহয় ?
4. তলত দিয়া বাক্যবোৰৰ খালী ঠাইবোৰত উপযুক্ত article বহুৱা।

(i) Honesty is --- best policy.
(ii) Namita is --- good girl.
(iii) --- Sun rises in the east.
(iv) Rabin lives in --- city.
(v) There is --- temple in our town.
(vi) We must help ---needy.
(vii) It is --- ox.
(viii) It is --- one rupee note.
(ix) .... Moon is a satellite.
(x) I read ...... Quran. **0 0 0**

Chapter -10

NUMBER (বচন)

তলত দিয়া বাক্য দুটাৰ আঁচটনা শব্দ দুটা মন কৰা ঃ

1. I have a book.
2. Ram has many books.

ওপৰৰ ১ নং বাক্যত 'মোৰ এখন কিতাপ আছে', আনহাতে ২ নং বাক্যত 'ৰামৰ বহুত কিতাপ আছে' — এই অৰ্থ প্ৰকাশ কৰিছে। শব্দ দুটাৰ ৰূপ লক্ষ্য কৰিলে আমি দেখা পাওঁ যে প্ৰথম বাক্যটিত 'book' আৰু দ্বিতীয় বাক্যটিত 'book' শব্দটিৰ লগত 's' যোগ হৈ কিতাপৰ এটাতকৈ অধিক সংখ্যাক সূচাইছে।

এতেকে শব্দ (word) ৰ যি ৰূপ বা গঠনৰ দ্বাৰা বস্তু বা প্ৰাণীৰ সংখ্যা বুজোৱা হয় , তাকে **Number (বচন)** বোলে। ইংৰাজীত বচন (Number) দুটা। যেনে ঃ

1. Singular Number (এক বচন) আৰু
2. Plural Number (বহু বচন)

তলত এইবোৰৰ বিষয়ে আলোচনা কৰা হ'ল।

1. Singular Number (এক বচন)

Noun বা pronoun ৰ যি ৰূপ বা গঠনৰ দ্বাৰা এটা মাথো বস্তু বা প্ৰাণীক বুজায় তাক Singular Number (এক বচন)ত থকা বুলি কোৱা হয়। যেনে ঃদ

She has a book . (তাইৰ এখন কিতাপ আছে।)

There is a tree. (তাত এটা গছ আছে।)



We have a car. (আমাৰ এটা গাড়ী আছে।)

ওপৰৰ 'book', 'tree', 'car' আদি word কেইটাই এটা মাথো প্ৰাণী বা বস্তুক বুজাইছে। সেইবাবে এই Noun বোৰ একবচনত আছে।

2. Plural Number (বহুবচন)

Noun বা pronoun ৰ যি ৰূপ বা গঠনে এটাতকৈ অধিক প্ৰাণী বা

বস্তুক বুজায় তাক Plural Number (বহুবচন)ত থকা বুলি কোৱা হয়। যেনেঃ

The apples are ripe. (আপেলবোৰ পকা।)

We have four cars. (আমাৰ চাৰিখন গাড়ী আছে।)

ওপৰৰ বাক্যবোৰত 'apples', 'cars' আদি word এ এটাতকৈ বেছি বস্তুক বুজাইছে। সেয়ে সেইবোৰ বহুবচনত আছে।

ইংৰাজীত একবচনত থকা noun বা pronoun বোৰ বহুবচনলৈ ৰূপান্তৰ কৰাৰ কিছুমান নীতি-নিয়ম আছে। তলত এইবোৰ আলোচনা কৰা হ'ল।।

1.কিছুমান noun ৰ শেষত মাত্ৰ 's' যোগ কৰি একবচনৰ পৰা বহুবচন কৰা হয়। যেনেঃ

Singular (একবচন)	**Plural (বহুবচন)**
book (কিতাপ)	books
brother (ভাই)	brothers
bird (চৰাই)	birds
bell (ঘণ্টা)	bells
cat (মেকুৰী)	cats
cow (গাই গৰু)	cows
crow (কাউৰী)	crows
chair (চকী)	chairs
clock (ঘড়ী)	clocks
dog (কুকুৰ)	dogs
door (দুৱাৰ)	doors
egg (কণী)	eggs
fan (বিচনী)	fans
flower (ফুল)	flowers
girl (ছোৱালী)	girls
hen (মাইকী কুকুৰা)	hens
hat (টুপী)	hats
horse (ঘোঁৰা)	horses
pen (কলম)	pens
pupil (ছাত্ৰ)	pupils
lion (সিংহ)	lions
net (জাল)	nets
teacher (শিক্ষক)	teachers
tree (গছ)	trees
table (মেজ)	tables
tiger (বাঘ)	tigers
rat (এন্দুৰ)	rats

2.যিবোৰ ইংৰাজী noun ৰ শেষত 's', 'x', 'ss', 'sh', 'ch' আদি আখৰ থাকে সেইবোৰ noun একবচনৰ পৰা বহুবচনলৈ ৰূপান্তৰ কৰিবলৈ noun ৰ শেষত 'es' যোগ কৰিব লাগে। যেনেঃ

Singular (একবচন)	**Plural (বহুবচন)**
bench (বেঞ্চ)	benches
box (বাকচ)	boxes
class (শ্ৰেণী)	classes
dish (কাঁহী)	dishes
fox (শিয়াল)	foxes
fish (মাছ)	fishes
glass (কাচৰ গিলাচ)	glasses
mango (আম)	mangoes
hero (বীৰ)	heroes ইত্যাদি।

3.যিবোৰ ইংৰাজী একবচন বুজোৱা noun ৰ শেষত 'y' আখৰ থাকে আৰু 'y'ৰ আগত consonant থাকে, সেইবোৰ noun অক বহুবচন কৰিবলৈ 'y' আখৰটো উঠাই দি তাৰ ঠাইত 'i' আৰু শেষত 'es' যোগ কৰিব লাগে। যেনেঃ

Singular (একবচন)	**Plural (বহুবচন)**
city (নগৰ)	cities
lady (মহিলা)	ladies
army (সৈন্যদল)	armies
baby (কেঁচুৱা)	babies ইত্যাদি।

কিন্তু 'y' ৰ আগত vowel থাকিলে কেৱল 's' যোগ কৰি plural কৰা হয়, যেনেঃ

Singular (একবচন)	**Plural (বহুবচন)**
toy (পুতলা)	toys
boy (ল'ৰা)	boys
ray (পোহৰৰ ৰশ্মি)	rays
day (দিন)	days ইত্যাদি।

4. যিবোৰ ইংৰাজী word ৰ শেষত 'f' নাইবা 'fe' আখৰ থাকে সেইবোৰ word একবচনৰ পৰা বহুবচন কৰিবলৈ শেষৰ 'f' নাইবা 'fe' উঠাই দি তাৰ ঠাইত 'v' আৰু শেষত 'es' যোগ দিব লাগে। যেনেঃ

Singular (একবচন)	**Plural (বহুবচন)**
loaf (ৰুটি)	loaves
life (জীৱন)	lives
leaf (পাত)	leaves
wife (ঘৈণীয়েক)	wives
thief (চোৰ)	thieves ইত্যাদি।

5.কিছুমান word মাজত থকা Vowel'ৰ পৰিৱৰ্তন কৰি 'singular

ৰ পৰা ‘Plural কৰা হয়। যেনেঃ

Singular (একবচন)	Plural (বহুবচন)
tooth (দাঁত)	teeth
foot (ভৰি)	feet
goose (ৰাজহাঁহ)	geese
louse (ওকণি)	lice
man (মানুহ)	men
mouse (নিগনী)	mice
woman (তিৰোতা)	women

6. ইংৰাজীত এনে কিছুমান noun আছে যিবোৰ plural ৰূপ সম্পূৰ্ণ বেলেগ হয়। যেনেঃ

Singular (একবচন)	Plural (বহুবচন)
child (কেচুৰা)	children
ox (ষাড় গৰু)	oxen ইত্যাদি।

7. কিছুমান শব্দৰ singular আৰু pluralৰ মাজত কোনো পাৰ্থক্য নাই। একেটা ৰূপেই singular আৰু plural - দুয়ো ৰূপতে ব্যৱহাৰ হয়। যেনেঃ

Singular (একবচন)	Plural (বহুবচন)
deer (হৰিণ)	deer
dozen (ডজন)	dozen
pice (পইচা)	pice
sheep (ভেড়া)	sheep

8. ইংৰাজীত এনে কিছুমান noun আছে যিবোৰ সদায় এক বচনত ব্যৱহাৰ হয়। যেনেঃ

Poetry, Furniture, Scenery etc.

9. ইংৰাজীত এনে কিছুমান noun আছে যিবোৰ সদায় plural ত ব্যৱহাৰ হয়। যেনেঃ

Vegetables, Riches, Scissors, Alms, Trousers,cattle, people etc.

10. ইংৰাজীত এনে কিছুমান noun আছে যিবোৰ ৰূপত plural যদিও একবচনত ব্যৱহাৰ হয়। যেনেঃ

Mathematics, Physics, News, Politics, etc.

11. ইংৰাজী pronoun অৰো singular আৰু plural ৰূপ আছে। যেনেঃ

Singular (একবচন)	Plural (বহুবচন)
I (মই)	we (আমি)
me (মোক)	us (আমাক)
my (মোৰ)	our (আমাৰ)
you (তুমি,তই, আপুনি)	you (তোমালোক, তহঁত, আপোনালোক)
your (তোমাৰ, আপোনাৰ)	your (তোমালোকৰ, আপোনালোকৰ)
she (তাই)	they (তাইহঁত)
her (তাইৰ)	their (তাইহঁতৰ)
he (তেওঁ)	they (সিহঁত)
his (তাৰ, তেওঁৰ)	their (সিহঁতৰ,
him (তাক, তেওঁক)	them (সিহঁতক)
it (এইটো)	they (এইবোৰ
this (এইটো)	these (এইবোৰ)
that (সৌটো)	those (সৌবোৰ)

12. Compound Nounৰ মূল শব্দৰ লগত 's' যোগ কৰি plural কৰা হয়। যেনেঃ

Father-in-law	Father-in-laws
Mother-in-law	Mothe-in-laws
Brother-in law	Brother-in-laws
Grand-father	Grand Fathers. ইত্যাদি।

EXERCISE

1. ইংৰাজীত Number কেইটা আৰু কি কি? একবচন (singular) noun বোৰক কি কি নিয়মে plural number লৈ পৰিবৰ্তন কৰিব পাৰি। উদাহৰণসহ বুজাই লিখা।

2. তলত দিয়া শব্দবোৰৰ number পৰিবৰ্তন কৰা।

Table, Cap, Fox, Aunt, Cousin, Tree, Hat, Men, Monkey, Cow, Lamps, Soldiers, Buffalo, Mice, lice, Deer, Uncles, Tomato, Mistress, Friends, Loaves, Tiger, Zebra, Deer, Bear, Tiger, Scissors.

3. ইংৰাজীলৈ অনুবাদ কৰাঃ

(ক) মোৰ বহুত কলম আছে। (খ) তেওঁ এজন ভাল ল'ৰা।
(গ) তাইৰ দুটা পুতলা আছে। (ঘ) সৌবোৰ গাড়ী।
(ঙ) ল'ৰাবিলাকে সাঁতুৰি আছে। (চ) ল'ৰা-ছোৱালীবোৰে দৌৰি আছে।

0 0 0

Chapter -11

PERSON (পুৰুষ)

আমি দৈনন্দিন জীৱনত এজনে আনজনৰ লগত কথা পাতোতে যিবোৰ ব্যক্তিবাচক বিশেষ্য, সৰ্বনাম বা বস্তুৰ নাম ব্যৱহাৰ কৰো সেইবোৰক Person (পুৰুষ) বোলে।

ইংৰাজী ব্যাকৰণত পুৰুষ (Person) তিনিবিধ। যেনেঃ

1. First Person. (প্ৰথম পুৰুষ বা উত্তম পুৰুষ)
2. Second Person. (দ্বিতীয় পুৰুষ বা মধ্যম পুৰুষ) আৰু
3. Third Person. (তৃতীয় পুৰুষ)

এই পুৰুষ (person) বোৰৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

1. First Person (প্ৰথম পুৰুষ)

যিয়ে কয়, অৰ্থাৎ 'I' (মই) আৰু 'I' সম্পৰ্কীয় সকলোবোৰ pronoun কেই First Person (প্ৰথম পুৰুষ বা উত্তম পুৰুষ) বোলে।

যেনেঃ

I, my, me, mine, we, us, our ইত্যাদি।

2. Second Person (দ্বিতীয় পুৰুষ)

বক্তাই যাক অৰ্থাৎ যি ব্যক্তিক উদ্দেশ্যি কোনো কথা কয় তাকে Second Person (দ্বিতীয় পুৰুষ) বুলি কোৱা হয়।

অৰ্থাৎ 'you' আৰু 'you' সম্পৰ্কীয় সকলোবোৰ Pronoun য়েই Second Person (দ্বিতীয় পুৰুষ)। যেনেঃ

you, your, yours, thy, thou, thee, thine, ইত্যাদি।

3. Third Person (তৃতীয় পুৰুষ)

প্ৰথম পুৰুষ (First Person) আৰু দ্বিতীয় পুৰুষ (Second Person) ৰ বাহিৰে থকা সকলোবোৰ noun আৰু pronoun য়েই তৃতীয় পুৰুষ

(Third person)। অৰ্থাৎ যাৰ বিষয়ে কিবা কোৱা হয় সেয়েই Third person (তৃতীয় পুৰুষ)।

যেনেঃ

he, his, him, she, her, they, them, their, Ram, Rahim, Nabin ইত্যাদি।

প্ৰতিটো person ৰে দুটাকৈ number আছে Singular Number আৰু Plural Number। যেনেঃ

Person	**Singular Number**	**Plural Number**
1st	I, me, my, mine	We, us, ours
2nd	You, your, yours	You, your, yours
3rd	He, him, his, she, her	They, them, their,

মনত ৰাখিবলগীয়াঃ যিজনে কয় তেওঁ First Person. (প্ৰথম পুৰুষ বা উত্তম পুৰুষ), যাক কোৱা হয় তেওঁ Second Person. (দ্বিতীয় বা মধ্যম পুৰুষ) আৰু যাৰ বিষয়ে কোৱা হয় সি Third Person. তৃতীয় পুৰুষ)।

EXERCISE

1. Person কাক কয়? ইংৰাজীত Person কেইটা আৰু কি কি?
3. তলত দিয়া পদবোৰৰ person নিৰ্ণয় কৰা।

Book, Bench, Rakesh, Alam, I, Thine, They, Thou, You, Yours, Mine, Their, Pencil, Fan, Geetali.

4. ইংৰাজীলৈ অনুবাদ কৰাঃ

(ক) মই ৰহিম।
(খ) সিহঁতে পথাৰত খেলি আছে।
(গ) ৰমেছা এজনী ছাত্ৰী।
(ঘ) কমল এজন ভাল ছাত্ৰ।
(ঙ) সি এজনী ছোৱালী।
(চ) কিতাপখন তোমাৰ।
(ছ) সিহঁতে ভালকৈ পঢ়ে।
(জ) আমি বল খেলোঁ।

0 0 0

Chapter -12

GENDER (লিঙ্গ)

পদৰ যি ৰূপ বা গঠনৰ সহায়ত মতা, মাইকী বা মতা- মাইকী নোহোৱা নির্জীৱ পদার্থ আদি চিনাক্ত কৰিব পৰা যায়, তাকে **Gender** (**লিঙ্গ**) বোলে।

ইংৰাজী ভাষাত লিঙ্গ (Gender) চাৰি প্ৰকাৰ। যথা ঃ

1. Masculine Gender. (পুংলিঙ্গ)
2. Feminine Gender. (স্ত্রীলিঙ্গ)
3. Common Gender. (উভয় লিঙ্গ)
4. Neuter Gender. (ক্লীৱ লিঙ্গ)

তলত এইবোৰৰ বিষয়ে আলোচনা কৰা হ'ল।

1. Masculine Gender (পুংলিঙ্গ)

যিবোৰ Noun বা pronoun এ মতাক বুজায় সেইবোৰক Masculine Gender (পুংলিঙ্গ) বোলে। যেনে ঃ

brother (ভাই), boy (ল'ৰা), he (তেওঁ), husband (স্বামী), father (পিতা), king (ৰজা), man (মানুহ), ox (যাড় গৰু), son (পুত্ৰ), uncle (খুড়া) ইত্যাদি।

2. Feminine Gender (স্ত্রীলিঙ্গ)

যিবোৰ Noun বা pronoun এ মাইকীক বুজায় সেইবোৰক Feminine Gender (স্ত্রীলিঙ্গ) বোলে। যেনে ঃ

mother (আই), sister (ভনী), queen (ৰাণী), girl (ছোৱালী) aunt (খুৰী), daughter (ছোৱালী, কন্যা), she (তাই), cow (গাইগৰু), lady (ভদ্ৰ মহিলা), woman (তিৰোতা) ইত্যাদি।

3. Common Gender (উভয় লিঙ্গ)

যিবোৰ Noun বা pronoun এ মতা মাইকী দুয়োটাকে বুজায় তাকে Common Gender (উভয় লিঙ্গ) বোলে। যেনে ঃ

Parents (পিতা-মাতা), baby (কেঁচুৱা), child (শিশু), you (তুমি), they (সিহঁত), student (ছাত্ৰ-ছাত্ৰী), we (আমি) ইত্যাদি।

4. Neuter Gender (ক্লীৱ লিঙ্গ)

যিবোৰ noun বা pronoun য়ে জীৱ নথকা (অচেতন)পদাৰ্থ বা বস্তুক বুজায় সেইবোৰক Neuter Gender (ক্লীৱ লিঙ্গ) বুলি কোৱা হয়। যেনে ঃ

book (কিতাপ), box (বাকচ), chair (চিয়াৰ), glass (গিলাচ), black-board (ব্লাক-বোর্ড), pencil (পেঞ্চিল), pen (কলম), tree (গছ), table (মেজ), radio (ৰেডিঅ'), house (ঘৰ) ইত্যাদি।

তলত কিছুমান Noun বা Pronoun অৰ Masculine, Feminine Gender ৰ তালিকা দিয়া হ'ল।

Masculine	**Feminine**
Bull (বলদ গৰু)	cow (গাই গৰু)
Cock (মতা কুকুৰা)	hen (মাইকী কুকুৰা)
Dog (কুকুৰ)	bitch (মাইকী কুকুৰ)
God (দেৱতা)	goddess (দেৱী)
Emperor (সম্ৰাট)	empress (সম্ৰাজ্ঞী)
Father (পিতা)	mother (মাতা)
Gentleman (ভদ্ৰলোক)	lady (ভদ্ৰ মহিলা)
Horse (ঘোঁৰা)	mare (ঘোঁৰী)
Husband (স্বামী)	wife (ঘৈণী)
King (ৰজা)	Queen (ৰাণী)
Lad (ল'ৰা)	lass (ছোৱালী)
Lion (সিংহ)	lioness (সিংহিনী)
Male (মতা)	female (মাইকী)
Master (শিক্ষক)	mistress (শিক্ষয়িত্ৰী)
Sir (মহাশয়)	madam (মহাশয়া)
Son (পুত্ৰ)	daughter (কন্যা)
Prince (ৰাজপুত্ৰ)	Princess (ৰাজ কুমাৰী)
Tiger (বাঘ)	tigress (বাঘিণী)
Uncle (খুড়া)	aunt (খুড়ী)
Grand-father (আতা)	grand-mother (আবু)
Male child (ল'ৰা সন্তন)	female child (ছোৱালী সন্তন)
Boy- friend (ল'ৰাবন্ধু)	girl-friend (ছোৱালী বন্ধু)

Masculine Noun ক Feminine কৰাৰ কিছুমান নিয়ম আছে,

যথা ঃ

(ক) কিছুমান Noun ৰ Masculine form ৰ লগত 'ess' নাইবা 'ss' যোগ কৰি Feminine কৰা হয়। যেনে ঃ

Masculine	**Feminine**
Actor (অভিনেতা)	Actress (অভিনেত্ৰী)
Emperor (সম্ৰাট)	empress (সম্ৰাজ্ঞী)
God (দেৱতা)	goddess (দেৱী)
Inspector (পৰিদৰ্শক)	Inspectress (পৰিদৰ্শিকা)
Lion (সিংহ)	lioness (সিংহিনী)
Master (শিক্ষক)	mistress (শিক্ষয়িত্ৰী)
Priest (পুৰোহিত)	Priestess (পুৰোহিতিনী)
Prince (ৰাজপুত্ৰ)	Princess (ৰাজকন্যা)
Tiger (বাঘ)	tigress (বাঘিণী)

(খ) কিছুমান Masculine Noun ৰ Word পৰিবৰ্তন কৰি Feminine কৰা হয়। যেনে ঃ

Masculine	**Feminine**
bull (বলদ গৰু)	cow (গাই গৰু)
cock (মতা কুকুৰা)	hen (মাইকী কুকুৰা)
dog (কুকুৰ)	bitch (মাইকী কুকুৰ)
husband (স্বামী)	wife (ঘৈণী)
horse (ঘোঁৰা)	mare (ঘোঁৰী)
father (পিতা)	mother (মাতা)
King (ৰজা)	Queen (ৰাণী)
male (মতা)	female (মাইকী)
gentleman (ভদ্ৰলোক)	lady (ভদ্ৰ মহিলা)
lad (ল'ৰা)	lass (ছোৱালী)
son (পুত্ৰ)	daughter (কন্যা)
Sir (মহাশয়)	madam (মহাশয়া)
uncle (খুড়া)	aunt (খুড়ী)

(গ) Masculine Noun টো যৌগিক হ'লে অকল Masculine বুজোৱা অংশটো সলনি কৰি Feminine কৰা হয়। যেনে ঃ

Masculine	**Feminine**
Boy- friend (বন্ধু)	Girl-friend
Grand-father (ককা-দেউতা)	Grand-mother
Grand-son (নাতি)	Grand-daughter
He-ass (গাধ)	She-ass
He-goat (মতা-ছাগলী)	She-goat
Man-servant (চাকৰ)	Maid-servant
Milk-man (গোৱাল)	Milk-woman
Washer-man (ধোবা)	Washer-woman

(ঘ) Pronoun ৰ Gender বেলেগ বেলেগ হয়। যেনে-

Masculine	**Feminine**	**Neuter**
He (তেওঁ)	She (তাই)	It (ই, এইটো)
Him (তেওঁক)	Her (তাইক)	It (ইয়াক)
His (তাৰ বা তেওঁৰ)	Her (তাইৰ)	Its (ইয়াৰ)

EXERCISE

1. Gender কাক বোলে ? Gender কেইটা আৰু কি কি ?
2. তলত দিয়া শব্দবোৰৰ Gender পৰিবৰ্তন কৰা।

King, Inspector, He, Him, Us, Brother, Son, Princess, Mistress, Tigress, Poet, Girl-friend, Husband, Queen, Hunter, Son, Mother, She-goat, Mare, Fox, Uncle, Queen, Her, Poet.

3. ইংৰাজীলৈ অনুবাদ কৰা ঃ

(ক) বাঘ বৰ হিংস্ৰ জন্তু।
(খ) গাইজনী ৰঙা ।
(গ) ষাড়গৰুটো শক্তিশালী।
(ঘ) এইটো এটা গছ।
(ঙ) ৰেনুকা ভাল ছোৱালী।
(চ) মা-দেউতাই আমাক মৰম কৰে।
(ছ) ৰীণাৰ স্বামী এজন চিকিৎসক।

0 0 0

Chapter -13

VERB (ক্ৰিয়া)

তোমালোকে Chapter -7 ত শিকি আহিছা যে বাক্যত ব্যৱহাৰ হোৱা প্ৰতিটো পদ (শব্দ)ক Parts of Speech বুলি কোৱা হয়। ইংৰাজীত Parts of Speech ৮ প্ৰকাৰৰ। তাৰ ভিতৰত এটা হ'ল Verb। Verb য়ে বাক্য এটাত কোনো কাম কৰা বা হোৱা অৰ্থ প্ৰকাশ কৰে। বাক্য এটিত Verb ৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ কাৰণ Verb নোহোৱাকৈ কোনো Sentence গঠন কৰিব নোৱাৰি। এই অধ্যায়ত Verb ৰ ব্যৱহাৰ আৰু প্ৰকাৰৰ বিষয়ে আলোচনা কৰা হ'ব।

তলৰ বাক্যটিত থকা আঁচটনা শব্দ দুটা মন কৰা ঃ

Ram is eating rice.

ওপৰৰ বাক্যটিত 'is' আৰু 'eat' শব্দ দুটা Verb। শব্দ দুটাৰ 'eat' শব্দটোয়ে খোৱা কাম বুজাইছে আৰু 'is' শব্দটিয়ে 'eat' verb ক অৰ্থ প্ৰকাশত সহায় কৰিছে। ইংৰাজী ভাষাত বহুত Verb আছে। ইংৰাজী Verb বোৰক বাক্যত সিহঁতৰ ভূমিকা অনুযায়ী দুটা ভাগত ভাগ কৰা হৈছে, যথা ঃ

1. Auxiliary Verb (সহায়ক ক্ৰিয়া)
2. Principal Verb or Main Verb (মূখ্য ক্ৰিয়া)

দুয়োবিধ Verb ৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

A. Auxiliary Verb (সহায়ক ক্ৰিয়া)

ইংৰাজী ভাষাত এনে কিছুমান Verb আছে যিবোৰ Verb য়ে নিজে নিজে কোনো অৰ্থ সম্পূৰ্ণ কৰিব নোৱাৰে, কিন্তু অন্য Verb ক অৰ্থ প্ৰকাশত সহায় কৰিব পাৰে, সেইবোৰ Verb ক Auxiliary Verb (সহায়ক ক্ৰিয়া)বোলে।

ইংৰাজী ভাষাত Auxiliary Verb (সহায়ক ক্ৰিয়া) মুঠতে চৌব্বিশটা। যেনে ঃ am, are, is, was, were, have, has, had, shall, should, will, would, may, might, can, could, must, ought (to), do, does, did, dare, need আৰু used (to)।

এই Verb বোৰ অন্য কোনো Verb ৰ লগত নিমিলে। সেইবাবে সিহঁতক Anomalous Verb বুলিও কোৱা হয়।

ইহঁত আন Verb ক অৰ্থাৎ Main Verb ক সহায় কৰে বাবে ইহঁতৰ অন্য নাম Auxiliary (Helping) Verb।

তলত Auxiliary Verb বোৰৰ Present আৰু Past form দেখুওৱা হ'ল ঃ

Present Form	**Past Form**
Am, is	was
Are	were
Have, Has,	had
Shall	should
Will	would
May	might
Can	could
Do, Does,	did
Must,	×
Ought (to),	×
Dare	×
Need	
×	Used (to)

2. Principal Verb or Main Verb (মুখ্য ক্ৰিয়া)

যিবোৰ Verb -য়ে আন কোনো Verb ৰ সহায় নোলোৱাকৈ নিজৰ অৰ্থ সম্পূৰ্ণ কৰিব পাৰে, তাকে Principal (Main) Verb (মুখ্য ক্ৰিয়া বা প্ৰধান ক্ৰিয়া)বোলে।

Principal Verb (মুখ্য ক্ৰিয়া) ৰ প্ৰধানকৈ তিনিটা ৰূপ (form) আছে। যেনে ঃ

1. Present form, 2. Past form, 3. Past Participle form

তলত সাধাৰণতে ব্যৱহাৰ হোৱা কিছুমান Principal Verb ৰ Present, Past আৰু Past Participle form ৰ তালিকা দিয়া হ'ল।

List of Verbs

Present form	Past form	P.P. form
Arise (উদয় হোৱা)	arose	arisen
Accuse (অভিযোগ কৰা)	accused`	accused
Ask (সোধা)	asked	asked
Abuse (গালি পাৰা)	abused	abused
Appear (দৃশ্যমান হোৱা)	appeared	appeared
Argue (যুক্তি প্ৰদৰ্শন কৰা)	argued	argued
Attack (আক্ৰমণ কৰা)	attacked	attacked
Beat (কোবোৱা)	beat	beat
Blow (বতাহ বলা)	blew	blown
Break (ভঙা)	broke	broken
Bind (বন্ধা)	bound	bound
Bathe (গা ধোৱা)	bathed	bathed
Beg (ভিক্ষা কৰা)	begged	begged
Bend (ভাঁজ কৰা)	bent	bent
Bring (অনা)	brought	brought
Burn (পোৰা)	burnt	burnt
Boil (উতলোৱা)	boiled	boiled
Buy (কিনা)	bought	bought
Build (সজোৱা)	built	built
Begin (আৰম্ভ কৰা)	began	begun
Call (মতা)	called	called
Come (অহা)	came	come
Cook (ৰন্ধা)	cooked	cooked
Close (বন্ধ কৰা)	closed	closed
Creep (চুঁচুৰি যোৱা)	crept	crept
Copy (প্ৰতিলিপি কৰা)	copied	copied
Choose (পছন্দ কৰা)	chose	chosen
Do (কৰা)	did	done
Dig (খন্দা)	dug	dug
Drink (পি খোৱা)	drank	drunk
Dry (শুকুৱা)	dried	dried
Eat (খোৱা)	ate	eaten
Edit (সম্পাদনা কৰা)	edited	edited
Ease (সহজ কৰা)	eased	eased

Ebb (ভাটা)	ebbed	ebbed
End (সমাপ্ত কৰা)	ended	ended
Echo (প্ৰতিধ্বনি)	echoed	echoed
Edify (নৈতিকউন্নতিসাধন কৰা)	edified	edified
Elect (নিৰ্বাচন কৰা)	elected	elected
Fall (পৰা)	fell	fallen
Feel (অনুভৱ কৰা)	felt	felt
Face (সন্মুখীন হোৱা)	faced	faced
Float (উপঙি থকা)	floated	floated
Flee (পলাই যোৱা)	fled	fled
Fine (জৰিমনা কৰা)	fined	fined
Fight (যুদ্ধ কৰা)	fought	fought
Feed (খুওৱা)	fed	fed
Fly (উৰা)	flew	flown
Find (বিচৰা)	found	found
Fear (ভয় কৰা)	feared	feared
Fill (পৰিপূৰ্ণ কৰা)	filled	filled
Fold (ভাঁজ কৰা)	folded	folded
Get (পোৱা)	got	got / gotten
Give (দিয়া)	gave	given
Gain (লাভ কৰা)	gained	gained
Go (যোৱা)	went	gone
Grow (ডাঙৰ হোৱা)	grew	grown
Have (আছে)	had	had
Hear (শুনা)	heard	heard
Hide (লুকাই থকা)	hid	hidden
Hurt (আঘাত কৰা)	hurt	hurt
Kill (বধ কৰা)	killed	killed
Kiss (চুমা খোৱা)	kissed	kissed
Learn (শিকা)	learnt	learnt
Lie (মিছা কোৱা)	lied	lied
Leave (এৰি দিয়া)	left	left
Lay (পৰি থকা)	laid	laid
Lead (নেতৃত্ব দিয়া)	led	led
Load (বোজাই কৰা)	loaded	loaded
Make (তৈয়াৰ কৰা)	made	made

Melt (দ্ৰৱীভূত হোৱা)	melted	melted
Mean (অৰ্থ কৰা)	meant	meant
Nap (কলা ঘুমুটি)	napped	napped
Need (দৰকাৰ)	needed	needed
Nip (আগকাটি পেলা)	nipped	nipped
Obey (মানি চলা)	obeyed	obeyed
Pay (বেতন দিয়া)	paid	paid
Prove (প্ৰমাণ কৰা)	proved	proved
Part (ভাগ কৰা)	parted	parted
Put (থোৱা),	put	put
Pack (মেৰাই বন্ধা)	packed	packed
Raise (উঠা)	raised	raised
Rend (গুড়ি কৰা)	rent	rent
Read (পঢ়া)	read	read
Run (দৌৰা)	ran	run
Ring (ঘণ্টা বজা)	rang	rung
Rent (ভাৰাত দিয়া)	rent	rent
Say (কোৱা)	said	said
See (দেখা)	saw	seen
Sell (বিক্ৰী কৰা)	sold	sold
Shoot (গুলি কৰা)	shot	shot
Sleep (শোৱা)	slept	slept
Shut (বন্ধ কৰা)	shut	shut
Slit (ফালি পেলা)	slit	slit
Sing (গান গোৱা)	sang	sung
Speak (কথা কোৱা)	spoke	spoken
Stand (থিয় দিয়া)	stood	stood
Smite (হাতেৰে মাৰা)	smote	smitten
Steal (চুৰি কৰা)	stole	stolen
Swear (শপত খোৱা)	swore	sworn
Stick (লগোৱা)	stuck	stuck
Swim (সাঁতোৰা)	swam	swum
Swing (দুলি থকা)	swung	swung
Take (লোৱা)	took	taken
Tell (কোৱা)	told	told
Tear (ফালি পেলোৱা)	tore	torn

Teach (শিকোৱা)	taught	taught
Think (চিন্তা কৰা)	thought	thought
Write (লিখা)	wrote	written
Wish (ইচ্ছা কৰা)	wished	wished
Want (বিচৰা)	wanted	wanted
Win (জয় লাভ কৰা)	won	won
Wind (ঘূৰোৱা)	wound	wound
Wring (মোহাৰি দিয়া)	wrung	wrung

EXERCISE

1. Verb কাক কয়? ইংৰাজী ভাষাত Verb ক প্ৰধানকৈ কেইশ্ৰেণীত ভাগ কৰা হৈছে?

2. Auxiliary Verb কাক বোলে? Auxiliary Verb কেইটা আৰু কি কি?

3. Principal (Main) Verb কাক বোলে? পাঁচটামান Principal Verb লিখা।

4. তলত দিয়া Auxiliary Verb বোৰৰ Past form লিখা ঃ

Am, Is, Are, Have, Has, Shall, Will, May, Can, Do.

5. তলত দিয়া Verb বোৰৰ Past আৰু Past Participle form লিখা ঃ

Arise, Ask, Attack, Break, Blow, Bring, Beat, Cut, Do, Drink, Eat, Find, Fear, Go, Give, Hide, Hear, Kill, Learn, Leave, Lie, Mend, Make, Nip, Need, Open, Peep, Quit, Rise, Read, Stand, Sit, See, Know, Take, Tear, Sell, See, Sing, Steal, Tell, Teach, Say, Write, Pay, Part, Prove.

0 0 0

Chapter -14

SUBJECT AND PREDICATE
(উদ্দেশ্য আৰু বিধেয়)

আগতে শিকি আহিছা যে এটা বা ততোধিক বৰ্ণ (letter) লগলাগি কোনো অৰ্থ প্ৰকাশ কৰিলে তাক শব্দ (word) বোলে। আকৌ দুটা বা ততোধিক শব্দ লগলাগি কোনো অৰ্থপ্ৰকাশ কৰিলে তাক বাক্য (sentence) বোলে। প্ৰতিটো Sentence (বাক্য) ৰ দুটা ভাগ বা অংশ থাকে, যথা ঃ

1. Subject (উদ্দেশ্য) আৰু
2. Predicate (বিধেয়) ।

তলত দিয়া বাক্যটো লক্ষ্য কৰাঃ

Ram eats mango.

ওপৰৰ বাক্যটিত 'Ram'পদে আম খোৱা কামটো যিজনে কৰিছে তাক নিৰ্দেশ কৰিছে। আনহাতে 'eats mango'পদ দুটাই ৰামে কি কৰিছে তাক বুজাইছে।

Sentence ত যাৰ বিষয়ে বা যাক উদ্দেশ্য কৰি কিবা কোৱা হয় তাকে Subject (**উদ্দেশ্য**) বোলে। বাক্যটিত 'Ram' পদটি Subject (উদ্দেশ্য)।

আনহাতে Subject ৰ বিষয়ে যি কোৱা হয় তাকে Predicate (**বিধেয়**) বোলে। বাক্যটিত 'eats mango'পদ দুটি Predicate (বিধেয়)।

More Examples:

Subject	**Predicate**
We	read books.
The boys	work hard.
The young boy	drinks tea.
The cow	is an animal.
Hari	likes sweatmeats.

ওপৰৰ প্ৰথম বাক্যটোত *We* হ'ল Subject (উদ্দেশ্য) আৰু *read book*s হ'ল Predicate (বিধেয়) । আনহাতে দ্বিতীয় বাক্যটোত *The*

boys হ'ল Subject (উদ্দেশ্য) আৰু *works hard* হ'ল Predicate (বিধেয়)।

Subject (উদ্দেশ্য)ৰ প্ৰধান পদ সাধাৰণতে Noun বা Pronoun হয়। আনহাতে Predicate (বিধেয়)ৰ প্ৰধান পদ Verb হয়।

EXERCISE

1. Subject আৰু Predicate কাক কয়?
2. তলত দিয়া Sentence বোৰৰ Subject আৰু Predicate দুই ভাগত ভাগ কৰি দেখুৱা।

We drink milk. They saw a tiger. He reads the Ramayana. Kanak is our English teacher. We like to play cricket. You are good boys. She is Leela. Pratima is our favourite singer. India is our motherland. He is running in the field. Kabita is in the Post office.

0 0 0

Chapter -15

TENSE

(কাল / ক্ৰিয়াৰ সময়)

আগতে শিকি আহিছো যে যি পদে কোনো কাম কৰা বা হোৱা বুজায় তাকে Verb বোলে। আকৌ Verb য়ে যি সময়ত কাম এটা কৰা বা হেৰা বুজায় সেই সময়কে Tense বোলে। অৰ্থাৎ Verb (ক্ৰিয়া) ৰ সময়কে **Tense (কাল)** বুলি কোৱা হয়। Tense প্ৰধানত তিনিটা, যথা ঃ

1. Present Tense (বৰ্তমান কাল)
2. Past Tense (অতীত কাল)
3. Future Tense (ভৱিষ্যত কাল)

তলত এইবোৰৰ বিষয়ে চমু আলোচনা আগবঢ়োৱা হ'ল।

1. **Present Tense** (বৰ্তমান কাল)

কোনো এটা কাম বৰ্তমান সময়ত কৰা বা হোৱা বুজালে Verb (ক্ৰিয়া) ৰ Present Tense হয়। যেনে ঃ

We eat rice (আমি ভাত খাওঁ।)
She plays hockey. (তাই হকি খেলে।)
They read the Mahabharata. (সিহঁতে মহাভাৰত পঢ়ে।)

Present Tense ৰ বাক্য এটিত প্ৰথমে Subject (কৰ্তা), দ্বিতীয়তে Verb (ক্ৰিয়া) আৰু তৃতীয়তে Object (কৰ্ম) থাকে। Verb টি সদায় Present form ত হয়।

Formation : Subject + Main Verb (Present Form) + Object.

টোকা ১ ঃ বাক্যত যিয়ে কোনো কাম কৰে সেয়াই Subject (কৰ্তা)। ওপৰৰ ১ নং বাক্যত 'We' য়ে 'ভাত' খোৱা কাম কৰিছে সেয়ে এইবাক্যটোৰ Subject । এনেদৰে দ্বিতীয় বাক্যটিত 'She' আৰু তৃতীয় বাক্যটিত 'They' Subject.

টোকা ২ ঃ বাক্যত কৰ্তাই যি কাম কৰে সেয়াই Object (কৰ্ম)। Object সদায় Noun বা Pronoun হয়। ওপৰৰ প্ৰথম বাক্যটিত 'rice' হৈছে Object । সেইদৰে দ্বিতীয় বাক্যটিত 'hockey' আৰু তৃতীয় বাক্যটিত 'Mahabharata' হ'ল Object।

2. **Past Tense** (অতীত কাল)

কোনো এটা কাম অতীত সময়ত কৰা বা হোৱা বুজালে Verb (ক্ৰিয়া) ৰ Past Tense হয়। যেনে ঃ

We ate rice (আমি ভাত খাইছিলোঁ।)
She played hockey. (তাই হকি খেলিছিল।)
We learned Assamese. আমি অসমীয়া শিকিছিলোঁ।)

Past Tesne ৰ বাক্য এটিত প্ৰথমে Subject (কৰ্তা) , দ্বিতীয়তে Verb (ক্ৰিয়া) আৰু তৃতীয়তে Object (কৰ্ম) থাকে। Verb টি সদায় Past form ত হয়।

Formation : Subject + Main Vertb (Past Form) + Object.

2. **Future Tense** (ভৱিষ্যত কাল)

কোনো এটা কাম আগলৈ অৰ্থাৎ ভৱিষ্যতে কৰা হ'ব বুজালে Verb (ক্ৰিয়া) ৰ Future Tense হয়। যেনে ঃ

We shall eat rice (আমি ভাত খাম।)
She will play Hockey. (তাই হকি খেলিব।)
We shall learn Assamese. আমি অসমীয়া শিকিম।)

Future Tense ৰ বাক্য এটিত প্ৰথমে Subject, দ্বিতীয়তে Shall or Will আৰু তৃতীয়তে Main Verb (Present form) আৰু চতুৰ্থতে Object (কৰ্ম) থাকে।

Formation : Subject + Shall or Will + Main Verb (Present Form) + Object.

বি ঃ দ্ৰ ঃ সাধাৰণতে First Person অৰ্থাৎ I আৰু We ৰ লগত *Shall* আৰু বাকীবোৰ Person ত *Will* ব্যৱহাৰ হয়। অৱশ্যে আজিকালি সকলো Person তে *Will* ৰ ব্যৱহাৰ হোৱা দেখা যায়।

মনত ৰাখিবা ঃ Present Tense ত Verb ৰ Present From , Past Tense ত Verb ৰ Past Form আৰু Future Tense ত Verb ৰ Present Form আৰু তাৰ আগতে Shall বা Will ব্যৱহাৰ হয়।

EXERCISE

1. Tense কাক বোলে? Tense কেইটা আৰু কি কি?

2. 'Drink' Verb ব্যৱহাৰ কৰি তিনিটা Present Tenseৰ Sentence গঠন কৰা।

3. তলত দিয়া Sentence কেইটা Past Tense লৈ ৰূপান্তৰ কৰা ঃ

(a) We work.
(b) Ram plays.
(c) She reads.
(d)The baby cries.
(e) The boys run.

4. তলত দিয়া Sentence কেইটা Future Tense লৈ ৰূপান্তৰ কৰা ঃ

(a) I eat apple
(b) Ram plays cricket.
(c) She reads a novel.
(d)The baby flies a kite.
(e) The boys run in the field.

2.ইংৰাজীলৈ অনুবাদ কৰা ঃ।

(ক) সিহঁতে ভাত খায়।
(খ) তেওঁ আহিব।
(গ) সিহঁত স্কুললৈ যাব।
(ঘ) আমি আম খাইছিলো।
(ঙ) তাই বল খেলিছিল।
(চ) ৰমেনে এখন চিঠি লিখিব।

0 0 0

Chapter -16

'TO BE' VERB

(‘হোৱা’ ক্রিয়া)

আগতে পাই আহিছো যে বাক্যত ব্যৱহাৰ আৰু ভূমিকা অনুযায়ী ইংৰাজী Verb বোৰক প্ৰধানকৈ দুটা ভাগত ভাগ কৰা হৈছে। যেনে ঃ Principal (Main) Verb (প্ৰধান বা মুখ্য ক্রিয়া) আৰু Auxiliary or Helping Verb (সহায়ক ক্রিয়া)। Auxiliary Verb মুঠতে ২৪টা। যেনে — am, are, is, was, were, have, has, had, shall, should, will, would, may, might, can, could, must, ought (to), do, does, did, dare, need আৰু used (to)। ।এই Auxiliary Verb কেইটাৰ ভিতৰত am, are, is, was আৰু were ক **Be Verb** বুলি কোৱা হয়। Be Verbৰ ব্যৱহাৰ তলত দিয়া ধৰণে হয় ঃ

1. I am a boy. (মই এজন ল'ৰা।)
2. You are a student. (তুমি এজন ছাত্র)।
3. He is a player. (তেওঁ এজন খেলুৱৈ)।
4. It was a box. (এইটো এটা বাকচ আছিল।)
5. They were well. (সিহঁত ভালে আছিল।)
6. I am a social worker. (মই এজন সমাজ কৰ্মী।)
7. She is a singer. (তাই এজনী গায়ক।)
8. We are at home. (আমি ঘৰত আছোঁ।)

Present Tense ত 'I'ৰ পিছত *am*; 'Your'ৰ পাছত *are*; 'He' আৰু 'She'ৰ পাছত is ব্যৱহাৰ হয়। *Is* আৰু *am* আৰু ৰ Past From 'was' আৰু 'are'ৰ past form 'were' হয়।

Person অনুযায়ী Present Tense আৰু Past Tense ত Be Verbৰ ব্যৱহাৰ নিম্নৰূপ হয় ঃ

Present Tense Form :

Person (পুৰুষ)	Number (বচন)	
	Singular (একবচন)	**Plural** (বহুবচন)
1st Person	I am	We are
2nd Person	You are	You are
3rd Person	He/She/It is	They are.

Past Tense Form :

Person (পুৰুষ)	Number (বচন)	
	Singular (একবচন)	**Plural** (বহুবচন)
1st Person	I was	We were
2nd Person	You were	You were
3rd Person	He/She/It was	They were.

EXERCISE

1. Be Verb কেইটা আৰু কি কি ?

2. Be Verb ব্যৱহাৰ কৰি পাঁচটা Present Tense ৰ Sentence গঠন কৰা।

3. তলত দিয়া BeVerb কেইটাৰ Past Tense Form লিখা ঃ Is, Am, Are.

3. Person আৰু Number অনুযায়ী Present Tense ত BeVerb কেইটাৰ ব্যৱহাৰ দেখুওৱা ঃ

4. Person আৰু Number অনুযায়ী Past Tense ত BeVerb কেইটাৰ ব্যৱহাৰ দেখুওৱা ঃ

5. তলৰ Sentence কেইটা Past Tense লৈ ৰূপান্তৰ কৰা ঃ

(a) I am a boy.
(b) We are boys.
(c) You are Kamal.
(d) You are students.
(e) He is a teacher.
(f) She is a girl.
(g) They are good singers. **0 0 0**

Chapter -17

USE OF HAVE, HAS, CAN AND MAY

আগতে শিকি আহিছা যে ইংৰাজী ভাষাত ২৪টা Auxiliary or Helping Verb (সহায়ক ক্ৰিয়া)। যেনে — am, are, is, was, were, have, has, had, shall, should, will, would, may, might, can, could, must, ought (to), do, does, did, dare, need আৰু used (to)। এই Auxiliary Verb বোৰৰ কিছুমান বিশেষ ব্যৱহাৰ আছে। এই অধ্যায়ত তোমালোকক have, has, can আৰু may ৰ সাধাৰণ ব্যৱহাৰৰ বিষয়ে কিছু ধাৰণা দিয়া হ'ব।

1. Have আৰু Has ৰ ব্যৱহাৰ ঃ

Have আৰু *Has* Auxiliary Verb দুটা থকা বা আছে অৰ্থত ব্যৱহাৰ হয়। যেনে ঃ

1. I have a book. (মোৰ এখন কিতাপ আছে।)
2. She has a pencil. (তাইৰ এডাল পেঞ্চিল আছে।)
3. We have many apples. (আমাৰ বহুত আপেল আছে।)
5. They have three cars. (সিহঁতৰ তিনিখন গাড়ী আছে।)

মনত ৰাখিবা যে I, You, They, We ৰ পাছত থকা বা আছে অৰ্থত 'have' বহে আৰু He, She, It ৰ পাছত 'has' বহে। 'Have' আৰু 'Has' ৰ Past Tense form 'had'। 'Have' আৰু 'Has' ৰ অন্যান্য ব্যৱহাৰৰ বিষয়ে পিছলৈ জানিব পাৰিবা।

2. 'Can ৰ ব্যৱহাৰ ঃ

তলত দিয়া অৰ্থত 'can' ৰ ব্যৱহাৰ হয় ঃ

(i) স্বাভাৱিক শক্তি (natural power), আৰ্জিত শক্তি (acquired power) আৰু সামৰ্থ (ability) বুজাবলৈ, যেনে ঃ

(a) I can do the work. (মই কামটো কৰিব পাৰোঁ।)
(b) He can walk . তেওঁ খোজ কাঢ়িব পাৰে।)
(c) She can ride a horse. তাই ঘোঁৰাত আৰোহন কৰিব পাৰে।)

(ii) অনুমতি বুজাবলৈ, যেনে ঃ

(a) Juli can do it. (জুলিয়ে এইটো কৰিব পাৰে।)
(b) He can borrow my book. (তেওঁ মোৰ কিতাপখন ধাৰে ল'ব পাৰে।)

(iii) কোনো কাম নিষেধ কৰা বুজাবলৈ (to express prohibition) নাইবা কিবা কৰা উচিত নহয় (the idea that something should not be done) বুজাবলৈ 'can' ব্যৱহাৰ কৰা হয়। যেনেঃ

(a) You can not do that. তুমি সেইটো কৰিব নোৱাৰা।

(b) He cannot hurt Ram. সি ৰামক আঘাত কৰিব নোৱাৰে।

3. Use of 'May'

(i) অনুমতি দিয়া (giving permission) আৰু অনুমতি লোৱা (taking permission) প্ৰকাশ কৰিবলৈ present tense অত 'May' ব্যৱহাৰ হয়। যেনেঃ

(a) May I go ? (মই যাব পাৰোঁ নে?)

(b) Yes, you may go. (হয়, তুমি যাব পাৰা।)

(iii) ইচ্ছা (wish) বা আশীৰ্বাদ (bliss) বুজাবলৈ 'May' ব্যৱহাৰ হয়। যেনেঃ

(a) May you be happy. তুমি সুখী হোৱা।

(b) May God bless us. ঈশ্বৰে আমাক আশীৰ্বাদ কৰক।

(iv) উদ্দেশ্য (purpose) বুজাবলৈ 'May' ব্যৱহাৰ কৰা হয়। যেনেঃ

(a) We eat that we may live. আমি জীয়াই থাকিবলৈ খাওঁ।

(b) He reads so that he may pass the examination. তেওঁ পঢ়ে যাতে সি পৰীক্ষা পাছ কৰিব পাৰে।

(ii) কোনো ঘটনা বা কাৰ্য্য সংঘটিত হোৱাৰ সম্ভাৱনা (probability) বুজাবলৈ 'May' ব্যৱহাৰ কৰা হয়। যেনেঃ

(a) It may rain in the morning. ৰাতিপুৱা বৰষুণ দিব পাৰে।

(b)Azad may come. আজাদ আহিব পাৰে।

EXERCISE

1. 'Have' বা 'has' বহুৱাই খালী ঠাই পূৰণ কৰাঃ
   (a) I .... a book.
   (b) She .... a pencil.
   (c) We .... many apples.
   (d) They .... three cars.
2. 'Can' বা 'may' বহুৱাই খালী ঠাই পূৰণ কৰাঃ
   (a) I......... do the work. (b) He .... walk .
   (c) ...... you be happy. (d) It .... rain at night.

0 0 0

Chapter -18

USE OF INTRODUCTORY 'THERE'AND 'IT'

তলৰ Sentence কেইটা মন কৰাঃ

1. There is a tree in the field. 2. It is raining.

এই বাক্য দুটা যথাক্ৰমে Adverb 'There' আৰু Pronour 'It'ৰে আৰম্ভ হৈছে। এনেদৰে ইংৰাজী ভাষাত কিছুমান Sentence আৰম্ভ কৰিবলৈ 'There' আৰু 'It'ব্যৱহাৰ কৰা হয় বাবে ইহঁতক Introductory 'There' আৰু Introductory 'It'বোলা হয়। বাক্য এটা 'There'ৰে আৰম্ভ কৰা হয়, তেতিয়া ইয়াৰ কোনো অৰ্থ নহয়। কিন্তু 'It' ৰ নিজা অৰ্থ আছে। It is Monday—আমি সোমবাৰ। ইয়াত 'It'ৰ অৰ্থ আজি।

More Examples:

(a) There are many boys in the field.

(b) There are three hundred students in our school.

(d) It is summer.

EXERCISE

1. 'There' বা 'It ৰে খালী ঠাইপূৰণ কৰাঃ
   (a) .... is Thursday.
   (b) .... is a table in the room.
   (c) .... is very hot.
   (d) ..... is dark here.
   (e) .... may rain tomorrow.

5. ইংৰাজীলৈ অনুবাদ কৰাঃ
   (a) আজি বৰ ঠাণ্ডা।
   (b) আমাৰ গাওঁত পাঁচখন মছজিদ আছে। 0 0 0

Chapter -19

INTERROGATIVE SENTENCE

(প্ৰশ্নবোধক বাক্য)

তলৰ Sentence কেইটা মন কৰা ঃ

1. Is this a pen? (এইটো এটা কমলনে ?

2. Are you a student ? (তুমি এজন ছাত্ৰনে ?)

3. Will he come soon? (তেওঁ সোনকালে আহিব নে ?)

4. Who was your brother ? (তোমাৰ ভায়েক কোন আছিল ?)

5. When will she come ? (তাই কেতিয়া আহিব ?)

6. Where does she live ? (তাই ক'ত থাকে ?)

7. Will they go to market ? (সিহঁত বজাৰলৈ যাবনে ?)

8. Do you like to read story books ? (তুমি গল্পৰ পুথি পঢ়িবলৈ ভাল পোৱানে ?)

ওপৰৰ Sentence কেইটাৰ দ্বাৰা প্ৰশ্ন সোধা হৈছে। এনেদৰে যি Sentence ৰ দ্বাৰা কোনো প্ৰশ্ন সোধা হয় সেই Sentence অকে **Interrogative Sentence (প্ৰশ্নবোধক বাক্য)** বোলে। Interrogative Sentence বোৰৰ কিছুমান বৈশিষ্ট আছে, যথাঃ

1. Interrogative Sentence এটা গঠন কৰিবলৈ হ'লে (Auxiliary Verb), do verb বা question word ৰ সহায় ল'ব লাগে।

2. Interrogative Sentence ৰ শেষত Question Mark (? / প্ৰশ্নবোধক চিন) ব্যৱহাৰ কৰা হয়।

আকৌ Interrogative Sentence অত Anomalous finite Verb বা 'Do' verb বা Question word ব্যৱহাৰ কৰাৰ কিছুমান নিয়ম আছে, যেনে ঃ

1. যিবোৰ Assertive Sentence অৰ Subject word ৰ পিছত কোনো Anomalous finite verb (Auxiliary Verb) থাকে সেইবোৰ Sentence ক Interrogative কৰিবলৈ হ'লে কেৱল Anomalous Finite Verb টো Subject ৰ আগত বহুৱালেই হয়।

টোকা ঃ প্ৰত্যেকটো Assertive Sentence অকে Interrogative

আৰু প্ৰত্যেকটো Interrogative Sentence অকে Assertive Sentence লৈ ৰূপান্তৰ কৰিব পাৰি। ইয়াত Assertive Sentence ৰ সহায়ত Interrogative Sentence বুজাবলৈ চেষ্টা কৰা হৈছে।

উদাহৰণ ঃ

Kamal is a boy (Assertive Sentence) (কমল এজন ল'ৰা।)

উক্ত বাক্যটি Assertive অত আছে, কিন্তু ইয়াক Interrogative (প্ৰশ্নবোধক) কৰিবলৈ হ'লে এইবাক্যটিত থকা 'is' Anomalous finite Verb (Be Verb) টো Subject word ৰ আগত বহুৱালেই হ'ব। যেনেঃ

Is Kamal a boy ? (কমল এজন ল'ৰানে ?)

বিঃদ্ৰঃ Assertive Sentence এটাক Interrogative Sentence লৈ পৰিবৰ্তন কৰাৰ সময়ত Assertive form অত থকা full stop (.) উঠাই দি তাৰ ঠাইত Question Mark (?) বহুৱাব লাগে।

2. 'Do' Verb ৰ সহায়ত Interrogative Sentence গঠন কৰাৰ নিয়ম ঃ

এনে কিছুমান Assertive Sentence আছে যিবোৰৰ কোনো Anomalous Finite Verb (Auxiliary Verb) নাই কেৱল Main Verb হে আছে। তেনে Sentence অক Assertive ৰ পৰা Interrogative কৰিবলৈ হলে 'Do' Verb ৰ সহায় ল'ব লাগে। আনহাতে 'Do' Verb ৰ তিনিটা ৰূপ ঃ Do, Did, আৰু Does। Assertive Sentence ৰ Principal Verb টো যদি Present tense অৰ হয়, তেন্তে 'Do' Verb আৰু যদি Past tense হয় তেন্তে 'Did' Verb আৰু যদি Present Indifinite Tense ৰ Third Person Singular হয় তেন্তে 'Does' বহে।

উদাহৰণ ঃ

1. A. They do the work. (Assertive) সিহঁতে কামটো কৰে।

B. Do they do the work? (Interrogative) সিহঁতে কামটো কৰেনে ?

2. A. She wrote a short story ? (Assertive) তাই এটা চুটি গল্প লিখিছিল।

B. Did she write a short story ?(Interrogative) তাই এটা চুটি গল্প লিখিছিলনে ?

3. A. Ram eats a mango. (Assertive) ৰামে এটা আম খায়।

B. Does Ram eat a mango? ৰামে এটা আম খায়নে ?

ওপৰৰ 1ৰ A নং বাক্যটি Present Tense ৰ কিয়নো ইয়াৰ Principal Veab টো Present form অত আছে। আনহাতে ইয়াৰ কোনো auxiliary verb নাই; সেয়ে এইবাক্যটি Interrogative কৰিবলৈ 1 B

ৰ নিয়ম হিচাপে 'Do' Verb ৰ সহায় লৈ' Do' Verb টো Subject word 'you' ৰ আগত বহুওৱা হৈছে আৰু শেষত Question Mark ('?') বহুৱাই Interrogative কৰা হৈছে।

সেইদৰে 2 ৰ A বাক্যটিত Auxiliary Verb নাই, কেৱল Principal Verb হে আছে আৰু Principal Verb টিও Past form অত হে আছে। সেয়ে উক্ত Sentence অক 2 ৰ B ত Interrogative কৰোতে 'Did' Verb ৰ পিছত Subject টো বহুওৱা হৈছে আৰু শেষত Question Mark দিয়া হৈছে।

তেনেদৰে 3 ৰ A বাক্যটিতো কোনো Anomalous Finite Verb (Auxiliary Verb) নাই। কিন্তু Principal Verb আছে, আনকি ইয়াৰ Subject টো third person ৰ একবচনহে। সেয়ে ইয়াক Interrogative কৰোতে 'Does' Verb ৰ সহায় লৈ Subject word 'Ram' 'Does' verb ৰ পিছত বহুওৱা হৈছে।

টোকাঃ First Person (বক্তা) আৰু Second Person ৰ (শ্ৰোতা) ৰ বাহিৰে থকা সকলো বস্তুই Third person। সাধাৰণতে He, She,It, Nabin, Shahid (মানুহৰ নাম) আদি যেতিয়া বাক্যত Subject হিচাপে বহে, তেতিয়াই third person হয়। কোনো Present Indefinite Tense ৰ Sentence এটিৰ Subject word টো third person একবচন আৰু Main Verb টো Present form ত থাকিলে Interrogative কৰোতে 'Does' Verb সহায়ৰ প্ৰয়োজন হয় আৰু Main Verb ৰ লগত যোগ হোৱা 's' বা 'es' উঠি যায়।

3. Question Word ৰ দ্বাৰা Interrogative Sentence গঠন কৰাৰ নিয়মঃ

এনে কিছুমান Interrogative Sentence আছে, সিবোৰ Question Word ৰ দ্বাৰাহে আৰম্ভ হয়। সাধাৰণতে Who, What, Which, Where, How, আদি Word বোৰকে **'Question Word'** বুলি কোৱা হয়।

উদাহৰণঃ

3. Who is your mother ? কোনজনী তোমাৰ মা ?
4. What is her name ? তাইৰ নাম কি?
1. Which was your house ? তোমাৰ ঘৰ কোনখন আছিল?
2 Where is my pen ? মোৰ কলমটো ক'ত?
5. How much money do you have ? তোমাৰ কিমান টকা আছে?

উক্ত Sentence বোৰৰ প্ৰত্যেকটোৰেই Question Word ৰ দ্বাৰা আৰম্ভ হৈছে। প্ৰতিটো Question Word ৰ পিছতেই Auxiliary Verb ব্যৱহাৰ হৈছে আৰু Auxiliary Verb ৰ পিছতহে Subject Word বোৰ

বহিছে। এনেদৰে Question Word ৰে কোনো Interrogative Sentence আৰম্ভ কৰিলে প্ৰথমে Question Word, পিছত Main Verb ৰ tense অনুসৰি Auxiliary Verb ব্যৱহাৰ কৰি শেষত Question mark বহুৱাই Interrogative কৰা হয়।

বিঃ দ্ৰঃ যেতিয়া কোনো বাক্যক Interrogative কৰিবলৈ 'Did' Verb ৰ সহায় লোৱা হয় তেতিয়া Sentence টোৰ Main Verb টো Past form ৰ পৰিবৰ্তে Present form ৰ হয়। যেনেঃ

How did he do it ? তেওঁ কেনেকৈ এইটো কৰিছিল?

উক্ত বাক্যটি Past tense অত আছে। কিন্তু 'Did' Verb ব্যৱহাৰ হোৱা কাৰণে main verb 'do' টো Present form ৰ হৈছে।

EXERCISE

1. তলত দিয়া Sentence বোৰ Interrogative Sentenceলৈ ৰূপান্তৰ কৰাঃ

(a) I am a boy
(b) You are a girl.
(c) He will do the work.
(d) They have three cars.
(e) I know him.
(f) He went there.
(g) He goes there.
(h) My name is Ashad.
(i) You learn English.

2. ইংৰাজীলৈ অনুবাদ কৰাঃ

(ক) তোমাৰ নাম কি?
(খ) তুমি কেতিয়া যাবা?
(গ) তোমাৰ দেউতাৰাই কি কৰে?
(ঘ) কলমটো কোনে কিনিলে?
(ঙ) তোমাৰ ঘৰ ক'ত?

0 0 0

Chapter -20

PUNCTUATION

(যতি চিন)

তলত দিয়া বাক্যবোৰ মন কৰা ঃ

"Ram, when have you come here?" Said Nabin. "I've come here just now", Nabin replied. "How about your home?". Ram said again. Nabin Answered, "All are well."

আমি লক্ষ্য কৰিলে দেখি ম যে ওপৰৰ বাক্যবোৰত শব্দ উচ্চাৰণৰ সুবিধা আৰু অসুবিধালৈ চাই কিছুমন চিন যেনে ঃ ফুলষ্টপ/দাৰি (.), উৰ্দ্ধকমা ("---"), কমা (,), প্ৰশ্নবোধক চিহ্ন (?) আদি ব্যৱহাৰ কৰা হৈছে। এনেদৰে আমি কথা-বতৰা পাতোতে সম্পূৰ্ণ ভাৱ প্ৰকাশ কৰিবলৈ বিভিন্ন শব্দ উচ্চাৰণ কৰাৰ লগে লগে সুবিধা মতে বিৰাম লও। কিন্তু এই বিৰাম কেৱল শ্বাস-প্ৰশ্বাসৰ ওপৰত নিৰ্ভৰ নকৰি অৰ্থৰ সঙ্গতিৰ ওপৰতো নিৰ্ভৰ কৰে। এনেদৰে অৰ্থপূৰ্ণভাৱে ভাৱ আৰুপ্ৰকাশৰ লগত সঙ্গতি ৰাখি আমাৰ কথা-বতৰা সুস্পষ্টকৈ আৰু সুশৃংখলকৈ প্ৰকাশ কৰিবৰ বাবে কিছুমান সাংকেতিক চিন ব্যৱহাৰ কৰা হয়, সেই চিনবোৰকে **Mark of Punctuation (যতি চিন)** বোলে।

ইংৰাজীত প্ৰধান যতি চিন (Marks of Punctuation) বোৰ হৈছেঃ

A. Full stop	(.)
B. Comma	(,)
C. Semi-colon	(;)
D. Colon	(:)
E. Mark of Interrogation	(?)
F. Mark of Exclamation	(!)
G. Quotation Marks	("- ")
H. Hyphen	(-)
I. Dash	(—)
J. Apostrophe 's'	('s)
K. Brackets or Double dashes	( ) (- -)
L. Capital letters	

তলত এইবোৰৰ প্ৰয়োগ বিধি আলোচনা কৰা হ'ল।

A. Full Stop (.)

Full stop (.) চিনটোৱেই হৈছে আটাইতকৈ বেছি দীঘল বিৰতিৰ চিন। পূৰ্ণ বিৰতিৰ প্ৰয়োজন হ'লে Full Stop (.) ব্যৱহাৰ হয়। সাধাৰণতে তলত দিয়া নিয়মানুসাৰে Full Stop প্ৰয়োগ কৰা হয়। যেনে --

1. কোনো বাক্য (Sentence) সম্পূৰ্ণ হোৱা বুজালে। যেনে --

Death comes to all.

2. সংক্ষিপ্ত শব্দ (Abbreviation) ৰ পাছত। যেনে ঃ

B. A. (Bachelor of Arts)

M. Sc. (Master of Science)

B. Comma (,)

Comma (,) হৈছে সকলোতকৈ কম সময় ৰোৱাৰ চিন। ই সদায় বাক্য এটাৰ ভিতৰত আবদ্ধ থাকে। তলত comma ৰ ব্যৱহাৰ দেখুৱা হ'ল।

1. একে জাতীয় Parts of speech ৰ তিনিটা বা তাতকৈ বেছি word অক এটাক আনটোৰ পৰা পৃথক কৰিবলৈ comma ব্যৱহাৰ হয় আৰু শেষৰ word দুটাক *and* ৰে সংযোগ কৰা হয়। যেনে --

Deepa, Juli, Rubi and Fahad are good students.

2. 'And' ৰ দ্বাৰা সংযোগ হোৱা কেইবাটাও শব্দ সমষ্টিৰ (pair of words) মাজত comma বহে। যেনে --

Rich and poor, high and low, wise and fool, all must have the taste of death.

উক্ত বাক্যটোত (i) rich and poor. (ii) high and low, (iii) wise and foolish এইবোৰ হৈছে pair of words।

3. Nominative of Address (সম্বোধন পদ) Comma ৰে পৃথক কৰা হয়। যেনে --

Girl, go there soon.

4. একেলগে বহা এটাতকৈ বেছি Adverb বা Adverbials ৰ মাজত Comma বহে। যেনে --

Last, but not the least, he was a singer also.

5. Quotation ৰ আগত Comma বহুৱাব লাগে। যেনে --

Rajesh said, "We are Proud of our rich heritage."

6. কিছুমান নিৰ্দ্দিষ্ট শব্দ বা শব্দ সমষ্টি যেতিয়া এটা বাক্যত একেলগে বহে তেতিয়া সিহঁতৰ আগত আৰু পিছত comma বহে। তেনেকুৱা শব্দ কিছুমান হৈছে -- first, secondly, lastly, to tell the truth, of course, of late, to sum up, however, indeed, on the whole ইত্যাদি। যেনে --

To sum up, it is an enjoyable story.

7. ব্যক্তি এজনৰ নাম উল্লেখ কৰি পিছত তেওঁৰ বিষয়ে সংক্ষিপ্ত কিছুবৰ্ণনা দি বাক্য এটা সম্পূৰ্ণ কৰিলে সেই Noun-ৰ পিছত Comma বহে। যেনে-

Sri Sankardev, the founder of Vaisnavism, was born in the District of Nagaon, Assam.

8. 'Yes', আৰু 'No' - ক বাক্যৰ বাকী অংশৰ পৰা পৃথক কৰিবলৈ ইয়াৰ পিছত Comma বহে। যেনে –

Yes, I can go there if you accompany me.

9. Compound Sentence অত সৰু সৰু Co-ordinating Clause থাকিলে সিবোৰৰ মাজত Comma বহে। যেনে –

I came, I saw, I conquered. (Shakespeare)

10. কোনো বাক্যৰ প্ৰথমতে থকা দীঘল Subject অক ইয়াৰ verb অৰ পৰা পৃথক কৰিবলৈ Comma ব্যৱহাৰ কৰা হয়। যেনে –

The boy, who came yesterday , is my nephew.

C. Semi Colon (;)

Full stop তকৈ কম আৰু Comma তকৈ অলপ বেছি সময় ৰবলৈ Semi Colon (;) ব্যৱহাৰ কৰা হয়। Semi Colon তলত দিয়া নিয়মানুসৰি ব্যৱহাৰ হয়।

1. একে বিষয়ৰ বিভিন্ন Sentence-অক একেলগে সংযোগ কৰিবলৈ Semi Colon বহে। যেনে-

To err is human; to forgive is divine.

2. Until, but, nor, or আদি Co-ordinating Conjuction এ সংযুক্ত নকৰা বেলেগ বেলেগ Subject থকা Co-ordinating Clause-অৰ মাজত Semi Colon ব্যৱহাৰ কৰা হয়। যেনে –

Man proposes; God disposes.

3. Alternative (or, nor, else, otherwise) আৰু Ilative (or, therefore, so, then, thus) জাতীয় Co-ordinating Conjunction অৰ দ্বাৰা সংযুক্ত দুটা Co-ordinate Clause ৰ মাজত Semi Colon বহে। যেনে –

Go in time, lest you would not meet him.

D. Colon (:)

Semi Colon তকৈ বেছি সময় বিৰতি ল'ব লাগিলে Colon ব্যৱহাৰ হয়। তলত উল্লেখ কৰা স্থানত Colon ৰ যথাযথ প্ৰয়োগ কৰা হয়। যেনে –

1. কিছুমান ঘটনা বা নাম গণনা কৰিবলৈ Colon ব্যৱহাৰ হয়। যেনে-

Some of Shakespeare's plays are : *Hamlet, Julius Caeser, Romeo and Juliet* etc.

2. List (তালিকা) উল্লেখ কৰোতে ঃ যেনে –

He bought many things : tabler, chair, pen and paper.

3. উদাহৰণ (Example) উল্লেখ কৰিবলৈ। যেনে-

The subject generally comes before the verb as : He was Ram's best friend.

4. আগত উল্লেখ কৰা কোনো ঘটনাৰ ব্যাখ্যা দিবলৈ ঃ যেনে –

None is perfect : all commit sin.

5. Quotation (উদ্ধৃতি) দিবলৈ ঃ যেনে –

Plato said : "Education should be for the nation."

6. পৰস্পৰ বিৰোধী দুটা ভাবৰ Sentence অৰ মাজত Conjunction নাথাকিলে। যেনে –

Many men : many minds.

7. কোনো কিতাপৰ নামৰ সৈতে লিখকৰ নাম লিখিবলৈ হ'লে লিখকৰ নামৰ পিছত ঃ যেনে –

Wordsworth : *Tintern Abbey.*

E. Mark of Interrogation (?)

প্ৰশ্নবোধক বাক্যৰ শেষত (প্ৰশ্নবোধক চিন '?') ব্যৱহাৰ হয়, যনে –

1. What is your father?

F. Mark of Exclamation (!)

1. মনৰ উচ্চাস, আবেগ বা বিস্ময় প্ৰকাশ কৰিবলৈ Exclamation Mark ব্যৱহাৰ হয়। যেনে –

Alas! I am undone.

G. Quotation Marks ("____")

বক্তাৰ কথাৰ হুবহু বৰ্ণনা দিবলৈ বা উদ্ধৃতি দিবলৈ Quotation Mark ব্যৱহাৰ হয়। যেনে –

Mahatma Gandhi said, "Hand writing is the part and parcel of education."

H. Hyphen (-)

1. Compound Word গঠন কৰিবলৈ)। যেনে --

Brother-in-law, Sister -in-law.

2. শেষ শাৰীত বিচ্ছিন্ন হোৱা কোনো শব্দৰ অংশক যোৰ লগাবলৈ)। যেনে –

He - Ram's cousin- is my best friend.

I. Dash (—)

Dash (—) হঠাতে বিৰতি বা চিন্তাৰ হঠাৎ পৰিবৰ্তন নিৰ্দ্দেশ কৰিবলৈ Dash ব্যৱহাৰ কৰা হয়। যেনে-

Books, pens, pencils — all are bought.

(2) গণনা কৰাৰ আগতে আৰু শেষত বস্তু সমূহৰ তালিকা দিবলৈ) যেনে --

You have everything--shirt, pent, books, cars etc.

(3) (কথাৰ মাজত উত্তেজনা বা ইতঃস্তত বোধ প্ৰকাশ কৰিবলৈ) যেনে –

He Came– quarrelled – departed

J. Apostrophe (’)

তলত দিয়া ঠাইত Apostrophe (’) ব্যৱহাৰ হয়।

1. Possessive Case গঠন কৰোতে)। যেনে ঃ

This is Rajen's kite.

2. কোনো wordৰ letter লুপ্ত হোৱা বুজাবলৈ, যেনে –

Ev’n = Even, Ov’r = Over

3. কোনো letter , figure বা abbreviation অৰ plural গঠন কৰোতে। যেনে –

(a) Cross your M’s and dot your V’s.

K. Brackets or Double Dashes ( ) , (– –)

তলত দিয়া ঠাইত Brackets **( )** ব্যৱহাৰ হয়।

1. Parenthesis অক পৃথক কৰিবলৈ) যেনে –

Laren (Tom's friend) is the boy who is guilty.

They (Hari, Harsha, Puspa and Raja) must go there.

Note: Brackets ৰ সলনি double dashes ও ব্যৱহাৰ হয়,যেনে –

Laren –Tom's friend–is the boy who is guilty.

They –Hari, Harsha, Puspa and Raja–must go there.

EXERCISE

1. Use Punctuation Marks in the following sentences:
   (a) Rabin what are you doing.
   (b) Many men many minds.
   (c) He has everything pen pencil books.
   (d) Alas our king is dead.
   (e) Rajesh is Kanak's father in law. **0 0 0**

Chapter -21

ANTONYMS

(বিপৰীতাৰ্থক শব্দ)

আমি দৈনন্দিন জীৱনত এনে কিছুমান শব্দ ব্যৱহাৰ কৰোঁ যিবোৰে পৰস্পৰ বিপৰীত অৰ্থ বুজায়। যেনে ঃ দিন, ৰাতি। সেইদৰে ভাল, বেয়া; সুন্দৰ, কুৎসিত ইত্যাদি। এনে বিপৰীত অৰ্থবোধক শব্দক **Antonym** (বিপৰীতাৰ্থক শব্দ) বোলে। তলত বিপৰীত অৰ্থবোধক শব্দ কিছুমানৰ তালিকা দিয়া হ’ল ঃ

Words	***Antonyms (Opp. words)***
After (পিছত)	before
Above (ওপৰত)	below
Bold (সাহসী)	timid
Buy (ক্ৰয় কৰা)	sell
Black (ক’লা)	white
Begin (আৰম্ভ কৰা)	end
Coarse (খহটা)	fine
Dark (এন্ধাৰ)	bright
Deny (অস্বীকাৰ কৰা)	admit
Dwarf (বাওনা)	giant
Day (দিন)	night
Dead (মৃত)	alive
Deed (কাম)	misdeed
Easy (সহজ)	difficult
Far (দূৰ)	near
First (প্ৰথম)	last
Forget (পাহৰি যোৱা)	remember
Failure (অকৃতকাৰ্য)	success
False (মিছা)	true
Guilty (দোষী)	innocent

Heaven (স্বৰ্গ)	hell
High (ওখ)	low
Hope (আশা)	despair
In (ভিতৰত)	out
Knowledge (জ্ঞান)	ignorance
Life (জীৱন)	death
Noble (মহান)	ignoble
Open (খোলা, মুক্ত)	shut
Present (উপস্থিত)	absent
Proud (অহংকাৰী)	humble
Proper (উপযুক্ত)	improper
Rich (ধনী)	poor
Start (আৰম্ভ কৰা)	stop
Strong (শক্তিশালী)	weak
Sweet (মিঠা)	bitter
Simple (সৰল)	complex
Short (চুটি)	tall
Seen (চাক্ষুক)	unseen
Thick (ঘন)	thin
Vague (অস্পষ্ট)	clear
Vex (আমনি কৰা)	please
Virtue (গুণ)	vice
Win (জয়লাভ কৰা)	lose
Weal (সুখ)	woe
Wet (তিতা)	dry
Young (ডেকা)	old

0 0 0

Chapter -22

SYNONYMS (সমাৰ্থক শব্দ)

একে অৰ্থবোধক শব্দবোৰক ইংৰাজীত **Synonyms (একাৰ্থক বা সমাৰ্থক শব্দ)** বুলি কোৱা হয়। অৱশ্যে দুটা শব্দ অৰ্থত প্ৰায় একে হ'লেও সিবিলাকৰ মাজত কিছু হ'লেও পাৰ্থক্য আছে। কাৰণ ইংৰাজী ভাষাত কোনো দুটি শব্দৰ অৰ্থ হুবহু একে নহয়। তলত কিছুমান Synonymৰ তালিকা দিয়া হ'ল।

Word	**Synonym**
Accurate (শুদ্ধ)	Correct, Right, True,
Anger (খং)	Furry, rage.
Appoint (নিযুক্তি দিয়া)	Assign, Designate.
Bad (বেয়া)	unpleasant
Begin (আৰম্ভ কৰা)	Commence, Start.
Brave (সাহসী)	Courage.
Bright (উজ্জ্বল)	Radiant, Shining
Battle (যুদ্ধ)	Fight, War
Cold (ঠাণ্ডা)	Cool, icy
Discover (আৱিষ্কাৰ কৰা)	Invent
Destroy (ধ্বংস কৰা)	Ruin, Uproot
Fat (শকত)	Stout
Forest (হাবি)	Wood
Friend (বন্ধু)	Comrade, Companion
Genuine (আচল)	Real, Pure
Beautiful (সুন্দৰ)	Handsome, Fine
Literate (শিক্ষিত)	learned
Illiterate (অশিক্ষিত)	unlearned, ignorant
Possible (সম্ভৱ)	Probable
Gentle (নম্ৰ)	Polite
Country (দেশ)	Land
Win (জয়লাভ কৰা)	Victory
Gain (লাভ কৰা)	benefit **0 0 0**

Chapter -23
PHRASES AND IDIOMS

Phrase and Idioms হৈছে কোনো এটি ভাষাৰ আছুতীয়া সম্পত্তি। ইংৰাজী ভাষাত বহুত Phrase and Idioms আছে। তলত সঘনে ব্যৱহাৰ হোৱা কিছুমান Phrase and Idioms ৰ প্ৰয়োগ দেখুৱা হ'ল।

(A)

A. B. C : (কোনো বস্তুৰ ওপৰত প্ৰাথমিক জ্ঞান) ঃ I have not learnt the *A. B. C* of Greek and Latin.

Above all : (সৰ্বোপৰি) ঃ *Above all* Kalidas was a playwright.

Above board: (স্পষ্ট, প্ৰকাশ্য) ঃ Ram's honesty is *above board.*

According to: (মতে, অনুসৰি) ঃ *According to* Jawaharalal Nehru, "Democracy is a sytem of Government where all are safe and sound."

After all : (মুঠতে) ঃ *After all* Mr. Barman is not honest.

All at once : (হঠাতে) ঃ Ramen and his friends appeared here *all at once.*

All in all : (সৰ্বেসৰ্বা) ঃ I am *all in all* in my family.

All the same : (একে কথা) ঃ You may read or not it is *all the same.*

All of a sudden : (হঠাতে) ঃ *All of a sudden* a tiger appeared here yesterday.

All along : (আদিৰ পৰা শেষলৈ) ঃ Ramenda is *all along* here.

All Greek : (বুজিব নোৱাৰা) ঃ Your writings are *all Greek* to me.

Apple of discord : (কাজিয়াৰ বিষয়) ঃ His misbehaviour was the *apple of discord* for Ram and Rahim.

Apple of one' s eye : (অতি মৰমৰ) ঃ I am the *apple of my mother's eye.*

As a matter of fact : (আচলতে) ঃ *As a matter of fact*, I am not your enemy.

As it were : (যেন) ঃ You are, *as it were,* my best friend.

As ill luck would have it : (দুৰ্ভাগ্যবশত) ঃ I am a poor scholar, *as ill luck would have it*, I could do nothing for want of money.

At a loss : (বিবুদ্ধি) ঃ We are *at a loss* to decide how to go there.

At a stretch : (একেৰাহে) ঃ It had been raining for a week *at a stretch.*

At best: (খুব বেছি) ঃ *At best* he is a poet.

At heart: (আচলতে, ভিতৰি ভিতৰি) ঃ Kamal is my friend *at heart.*

At daggers drawn: (শত্ৰু ভাবাপন্ন) ঃ Ram and Rahim are not at dagger's drawn to each other.

At home: (আৰাম পোৱা) ঃ Raymen is quite *at home* here.

At home in: (পাৰ্গত) ঃ I am *at home in* Bangali and Hindi.

At one's disposal : (কাৰো ইচ্ছামতে ব্যৱহাৰ কৰিব

পৰাকৈ হাতত ৰখা) ঃ My pen and books are *at my disposal*.

At one's finger's end : (কাৰো নখ দৰ্পনত, মুখস্থ) ঃ The poems of Shelley, Blake and Wordsworth are at my finger's end.

At six and sevens : (খেলিমেলিকৈ থকা) ঃ The books are laying *at six and sevens* on the floor.

At stake : (বিপন্ন) ঃ His life was *at stake* when his father died.

At that : (উপৰিও) ঃ Kamalakanta is a good dancer and *at that* a good poet.

At the eleventh hour : (মূৰামূৰি পৰত) ঃ *At the eleventh hour* Ranaki arrived at the station.

At the outest : (আৰম্ভণিতে) ঃ *At the outset* I sang and then danced.

At times : (মাজে মাজে) ঃ Rekha writes good essays *at times.*

At variance with : (সামঞ্জস্যহীন) ঃ Our president's words are at variance with his ideals.

At one's beck and call : (মাত দিলেই পোৱা) ঃ Ram and Karim are at my beck and call.

(B)

Bag and baggage : (ঢালি টোপোলালৈ) ঃ He had left his rent house *bag and baggage*.(কিন্তু 'with *bag and baggage'* নহয়)

Bad-blood : (বিদ্বেষ ভাৱ) ঃ There should have no *bad blood* between Ram and Rahim.

Be all and end all : (একমাত্ৰ উদ্দেশ্য) ঃ To preach Humanism is my *be all and end all*.

Bear a hand : (সহায়ৰ হাত আগবঢ়োৱা) ঃ Radhanath *bore a hand to* his brother.

Bed of roses : (বিলাস শয্যা) ঃ Life is not a *bed of roses*.

Beggars description : (বৰ্ণনাৰ অতীত) ঃ Your arguments are *beggars description*.

Beside oneself : (আত্মহাৰা) ঃ When Rakesh heard the news of his success he was *beside himself with* joy.

Beside the mark : (অপ্ৰাসঙ্গিক) ঃ Your opinion is *beside the mark.*

Bid fair : (আশা দেখুৱা) ঃ Ram *bid fair* to win the match.

Big guns : (ক্ষমতাশালী লোক) ঃ Pandit Jawaharlal Nehru was one of the *big guns* of India.

Black sheep : (কুলৰ কলংক) ঃ Harshad Mehta is the *black sheep* of modern India.

Blue blood : (অভিজাত্য) ঃ Karim was proud of his *blue blood.*

Blow one's won trumpet : (আত্ম প্ৰশংসা কৰা) ঃ No body should *blow his own trumpet.*

Bolt from the blue : (বিনা মেঘে বজ্ৰপাত) ঃ The news of the bomb burst was a *bolt from the blue* for us.

Bring home to : (হৃদয়ঙ্গম কৰা) ঃ I shall *bring* this lesson *home to* you.

Bring to book : (তিৰস্কাৰ কৰা) ঃ For your misdeed you must be *brought to* book.

Bring to light : (প্ৰকাশ কৰা) ঃ The hidden news must be *brought to light*.

Burning question : (জলন্ত সমস্যা) ঃ Unemployment is the *burning question* of the world.

By and by : (সোনকালে) ঃ Come here *by and by.*

By the by : (কথা প্ৰসঙ্গত) ঃ *By the by* Ram asked me where I live.

By dint of : (গুণত বা বলত) ঃ Karan succeeded

by dint of hard labour.

By fair means or foul : (ভাল বেয়া যিকোনো উপায়ে) ঃ I must not perform my dutics *by fair means or foul* to earn money.

By fits and stars : (অনিয়মিত ভাবে) ঃ I can not write *by fits and starts.*

By hook or by crook : (যিকোনো উপায়ে) ঃ Ram should do this work *by hook or by crook*.

By leaps and bounds : (দ্রুত গতিত) ঃ He is progressing in his business *by leaps and bounds*.

By vitue of : (গুণৰ বলত) ঃ He has earned money *by virtue of* hard labour.

(C)

Call in question : (সন্দেহ কৰা) ঃ I have nothing to *call in question.*

Call names : (গালি পৰা) ঃ You should not *call names* of others without rhyme and reason.

Catch red-handed : (হাতে -লোটে ধ'ৰা পেলোৱা) ঃ The police failed to *catch* the thief *red handed*.

Cry in wilderness : (অৰণ্যত ৰোদন কৰা, মিছা- মিছি কান্দা) ঃ To seek help from a police is like *crying in wilderness*.

Crying need : (অত্যন্ত আৰশ্যকীয় বস্তু) ঃ Food is our *crying need*.

Crocodile tears : (মিছা চকুলো) ঃ Nobody can lure me with *crocodile tears.*

Cut a sorry figure : (অযোগ্যতা দেখুওৱা) ঃ India *cut a sorry* figure in the Atlanta Olympics' 96.

Cut and dry : (ধ'ৰা- বন্ধা) ঃ I am not agree to your *cut and dry* policy.

Cut short : (সংক্ষেপ কৰা) ঃ Please *cut short* your extrempore lecture.

Cut to the quick : (মৰ্মাহত কৰা) ঃ Your misbehaviour *cut me to the quick.*

Come into force : (বলবৎ হোৱা) ঃ Our Independence *came into force* in 1947.

(D)

Dead against : (ঘোৰ বিৰোধী) ঃ The Americans are *dead ageainst* the Russians.

Dead Language : (মৃত ভাষা) ঃ Sanskrit is a *dead language.*

Do away with : (পৰিত্যাগ কৰা) ঃ We should *do away with* our reasonless faith.

(E)

Eat the humble pie : (দৰ্প-চূৰ্ণ হোৱা) ঃ The pride of the Talibans must *eat the humble pie* one day.

End in smoke : (ব্যৰ্থ হোৱা) ঃ Ranidas' efforts to overcome his opponents *ended in smoke.*

Ever and anon : (প্ৰায়েই) ঃ He used to come here *ever and anon.*

Every inch : (সম্পূৰ্ণ ৰূপে) ঃ Shakespeare was *every inch* an apic poet.

Every now and then : (সঘনে) ঃ Why do you come here *every now and then*?

(F)

Face to face : (মুখামুখি) ঃ Please let us speak *face to face.*

Fag end : (শেষভাগ) ঃ He overcame his opponent at the *fag end* of the match.

Fair and square : (সৎ) ঃ Ramchandra was *a fair and square* king.

Fair-weather-friend : (সম্পদ কালৰ বন্ধু) ঃ There is no dearth of *fair-weather-friends*.

Fall flat : (ব্যৰ্থ হোৱা) ঃ His policy of Non-violence *falls flat* at last.

Fall short : (কম হোৱা) ঃ The collection of puza subscribition *falls short* of our expenditure.

Far cry : (বহু দূৰ) ঃ It is not a *far cry* from Guwahati to Calcutta.

Far and wide : (বহু দূৰব্যাপী) ঃ His fame had spread far and wide.

Fight shy of : (গা এৰা দিয়া) ঃ We should not *fight shy of* our duties.

First and foremost : (সৰ্ব প্ৰধান) ঃ My *first and foremost* duty is to practise Humanism.

Flesh and blood : (তেজ- মংহৰ) ঃ *Flesh and blood* should not bear the stigma of bribery.

For good : (চিৰকালৰ বাবে) ঃ I am with my first friends *for good.*

For the sake of : (কাৰণে) ঃ I can do everything *for the sake of* your comforts.

From head to foot : (মূৰৰ পৰা ভৰিলৈ) ঃ I have come to know about you *from head to foot.*

From hand to mouth : (পেটে- ভাতে) ঃ We live *from hand to mouth.*

Fish out of water : (আচহুৱা) ঃ I am not a fish out of water in Culcutta.

(G)

Get rid of : (হাত সাৰা) ঃ Ram *gets rid* of his stark rivals.

Give ear to : (কাণ পাতি শুনা) ঃ Please *give ear to* what I say.

Go mad : (বলিয়া হোৱা) ঃ If you continue to speak in such a manner you will *go mad.*

Go to the dogs : (ধ্বংশ হোৱা) ঃ If you fail to come in time all my plans must *go to the dogs.*

Give rise to : (সৃষ্টি কৰা) ঃ Your speech *gives rise to* a quarrel.

Get the upper hand : (শক্তিশালী হোৱা) ঃ Lalita was so influential that he *got the upper hand.*

(H)

Hand in hand : (একে লগে) ঃ We will do this *hand in hand.*

Hand and glove : (অন্তৰঙ্গ) ঃ Ram and Rahim are *hand and glove* friends.

Hang fire : (পলম কৰা) ঃ Why do you *hang fire* to go there ?

Hang in the balance : (অনিশ্চয়তাৰ মাজত থকা) ঃ Why does your policy *hang in the balance* ?

Hard and fast : (ধ'ৰা- বন্ধা) ঃ There is *no hard and fast* path that can lead a man to heaven.

Hard nut to crack : (জটিল) ঃ The problem of unemployment is a *hard nut to crack*.

Head and heart : (আগ্ৰহেৰে সৈতে) ঃ I will try to recieve your greetings *head and heart*.

Heart and soul : (প্ৰাণ পণে) ঃ I will try *heart and soul* to solve the problems of the present- day world.

High and law : (উচ্চ- নীচ) ঃ There is no *high*

and law in Humanism.

High time : (উপযুক্ত সময়) ঃ It is the high time to go there.

Hit below the belt : (ভিতৰি ভিতৰি অন্যায় কৰা) ঃ Beware of your friends, because one of them can *hit below the belt.*

Hold good : (খটা) ঃ Your policy can not *hold good* for all.

Household word : (পৰিচিত নাম) ঃ Rabindra Nath Tagore is a *household word* in India.

Hue and cry : (গোলমাল) ঃ Why do you make a hue and cry in this nick of time ?

(I)

In a body : (সদলবলে) ঃ The members of the parliament had welcomed the Queen of England in a body.

In a dilemma : (দোধোৰ- মোধোৰ অৱস্থাত) ঃ I am alone here in a dilemma.

In a fix : (হত বুদ্ধি) ঃ Rabindra is *in a fix* ; he can not do that.

In a nutshell : (চমুকৈ) ঃ Let me repeat the story *in a nutshell.*

In as much as : (যিহেতু) ঃ I am unable to help you *in as much as* I have fallen in a dilemma.

In black and white : (কাগজে কলমে, লিখিত ৰূপত) ঃ Please send your comment *in black and white.*

In case : (যদি) ঃ *In case* you fail, try again with patience.

In course of time: (সময়ত) ঃ *In course of time* he will be able to show his skill.

In favour of : (হকে) ঃ Please do this work *in favour of* me.

In fine : (পৰিবেশত) ঃ *In fine*, she with her brother, came to meet me.

In full swing : (পূৰাদমে) ঃ The ceremony is going on *in full swing.*

In lieu of : (পৰিবৰ্তে) ঃ I will help you *in lieu of* your good wishes.

In quest of : (সন্ধানত) ঃ The nomads wander from here to there *in quest of* food.

In season and out of season : (সদায়) ঃ I can not trouble you and your close friends *in season and out of season.*

Ins and outs : (বাহিৰ- ভিতৰ সবিশেষ) ঃ Tell me the *ins and outs* of the matter.

Instead of : (পৰিবৰ্তে) ঃ Go to market *instead of* going to the play-ground.

In the dark : (অজ্ঞ) ঃ I am not *in the dark* about this.

In the quise of : (ছদ্মবেশতে) ঃ Fahad robbed Ram *in the quise of* a police.

In the long run : (অৱশেষত) ঃ Honesty pays *in the long run.*

In view of : (বিবেচনা কৰি) ঃ *In view of* your good service you will be given a reward.

In vogue : (প্ৰচলিত) ঃ In some Indian society Dowery is still *in vogue.*

(J)

Jack of all trades : (যি সকলো কামৰে অলপ অলপ জানে) ঃ Amin al-Amanulla was the jack of all trades,

but master of none.

(K)

Kith and kin : (জ্ঞাতি-কুটুম্ব) ঃ We have *kith and kin* in west Asia.

Know no bounds : (সীমাহীন হোৱা) ঃ His business *knew no bounds.*

(L)

Laughing stock : (হাঁহিয়াতৰ পাত্ৰ) ঃ Don't be a *laughing stock* anywhere.

Lay waste : (ধ্বংশ কৰা) ঃ The Afgans *laid waste* our ancientheritage.

Leave in the lurch : (বিপদত পেলোৱা) ঃ A friend who is honest never *leaves* one *in the lurch*.

Leave no stone unturned : (যত্নৰ ত্ৰুটি নকৰা) ঃ To get at my aim I will *leave no stone unturned*.

Lion's share : (শকত অংশ) ঃ I can not take the *lion's share* of your income.

Loaves and fishes : (ব্যক্তিগত স্বাৰ্থ) ঃ I can not care only for *loaves and fishes.*

Long and short : (সাৰাংশ) ঃ He wrote the *long and short* of the Mahatma Gandhi's autobiography "My Experiment with Truth.".

Lose heart : (হতাশ হোৱা) ঃ Don't *lose hear*t in such a critical time.

Look down upon : (ঘৃণা কৰা) ঃ Nobody should *look down upon* the poor.

(M)

Maiden speech : (প্ৰথম বক্তৃতা) ঃ Rameshswami

and Raghavan became popular in their *maiden speech* as singers and actors .

Make a clean breast of : (সম্পূৰ্ণ স্বীকাৰ কৰা) ঃ Mahatma Gandhi *made a clean breast of* every sin that he committed.

Make good : (পূৰণ কৰা) ঃ Try to *make good* of your loss.

Make up one's mind : (মন স্থিৰ কৰা) ঃ Karan *made up his mind* to visit the Zoo.

Man of letters : (বিদ্বান লোক) ঃ Bani-kanta Kakati was *a man of letters*.

Move heaven and earth : (যথা সাধ্য চেষ্টা কৰা) ঃ Every body should move heaven and earth to meet his aim in life.

(N)

Nip in the bud : (কলিতে নাশ কৰা) ঃ His genius was *nipped in the bud* for want of a patron.

Now and then : (মাজে মাজে) ঃ Come here, *now and then*.

Null and void : (ৰদ কৰা, বাতিল কৰা) ঃ The law was declared *null and void.*

(O)

Of course : (অৱশ্যে) ঃ He is poor, *of course*, he is not dishonest.

Of late : (সম্প্ৰতি) ঃ *Of late*, man power is going to fall into water.

Of no avail : (নিষ্ফল) ঃ All his efforts proved to be *of no avail.*

Of the first order : (সৰ্ব্বোৎকৃষ্ট) ঃ His painting

is *of the first order.*

Off and on : (মাজে মাজে) ঃ *Off and on* I had gone there.

